www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যি মানুহে নামমাত্ৰও আনৰ কথা চিন্তা কৰিব নোৱাৰে, তেওঁৰ জীৱনৰ কোনো অৰ্থ নাই। - মণ্টেইন।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ২৫৩ ❒ বুধবাৰ ❒ ১০ ডিচেম্বৰ, ২০২৫ চন ❒ ২৩ আঘোণ, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 253 ❒ Wednesday ❒ 10th December, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮



## পোষ্ট মেলনৰ সুৰৰ মূৰ্চ্ছনাত ডুব গ'ল গুৱাহাটী মহানগৰী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** সোমবাৰে নিশা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ৰেপাৰ পোষ্ট মেলনৰ সুৰৰ মূৰ্চ্ছনাত ডুব গ'ল গুৱাহাটী ▸▸৬ পৃষ্ঠাত

## ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষাৰ দুদিনীয়া অসম ভ্ৰমণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কে. ৰাহটকাৰে দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আগমন ▸▸৬ পৃষ্ঠাত

### নতুন দিল্লীৰ আদালতৰ ছোনিয়া গান্ধীলৈ জাননী

## নাগৰিকত্ব গ্ৰহণৰ পূৰ্বে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তৰ অভিযোগ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাংসদ তথা প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধীক ১৯৮০-৮১ চনৰ ভোটাৰ তালিকাত সম্ভাব্য অনিয়মীয়াকৈ অন্তৰ্ভুক্ত হোৱাৰ অভিযোগত নতুন দিল্লীৰ ৰাউজ এভিনিউ আদালতে এক ন্যায়িক নোটিছ জাৰি কৰা হৈছে। বিশেষ ন্যায়াধীশ বিশাল ▸▸৬ পৃষ্ঠাত




## মুম্বাইত আইএএলএ কাউন্সিলৰ অধিৱেশনৰ ভাৰ্চুৱেল উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

### লাইটহাউচ পৰ্যটনৰ বাবে ডিজিটেল টিকেটিং প'ৰ্টেলো মুকলি কৰে

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মঙলবাৰে মুম্বাইত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক সামুদ্ৰিক এইডছ টু নেভিগেচন সংস্থা (আইএএলএ)ৰ কাউন্সিলৰ তৃতীয় অধিৱেশনৰ ভাৰ্চুৱেলি উদ্বোধন কৰে। এই একেখন ▸▸৬ পৃষ্ঠাত




## ৪৫ বছৰ পিছত ৰাইজে কৃতজ্ঞতাৰে স্মৰণ কৰিব শ্বহীদসকলক ঃ মুখ্যমন্ত্ৰী



# আজি উদ্বোধন হ'ব শ্বহীদ স্মাৰক ক্ষেত্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** ঐতিহাসিক অসম আন্দোলনত স্বজাতিৰ অধিকাৰৰ বাবে প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী বীৰ শ্বহীদৰ স্মৃতি যুগ যুগান্তৰলৈ জীয়াই ৰখাৰ বাবে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মিত বিশাল শ্বহীদ স্মাৰক ক্ষেত্ৰ বুধবাৰে (১০ ডিচেম্বৰ) ৰাইজৰ বাবে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুৱা ১১ বজাত এই স্মাৰক ক্ষেত্ৰৰ আনুষ্ঠানিক উদ্বোধন কৰিব। প্ৰতিবছৰৰ দৰে এইবাৰো ১০ ডিচেম্বৰত ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হ'ব। এইবাৰ কেন্দ্ৰীয় অনুষ্ঠান অনুষ্ঠিত হ'ব নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰতে। ১৯৭৯ চনৰ ১০ ডিচেম্বৰত অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰে প্ৰাণ বলিদান দিছিল আৰু সেই দিনটোৰ পৰাই অসমে শ্বহীদ দিৱস হিচাপে পালন কৰি আহিছে। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা ১১৭ বিঘা ভূমিত নিৰ্মিত এই স্মাৰক ক্ষেত্ৰত আছে ১৩ মহলীয়া (৬৭.২০ মিটাৰ ওখ) সুউচ্চ শ্বহীদ স্তম্ভ, শ্বহীদ উদ্যান, দুখন বিশাল পুখুৰী, লাইট এণ্ড ছাউণ্ড শ্ব', চাইক্লিং ট্ৰেক, ৫০০ আসনৰ প্ৰেক্ষাগৃহ, যোগ কেন্দ্ৰ, মেডিটেচন হ'ল, হৰ্টিকালচাৰ গাৰ্ডেন, ফুড কৰ্ট, মুকলি থিয়েটাৰ মঞ্চ, পুথিভঁৰাল আৰু পাৰ্কিং-ৰাকিং জ'নকে ধৰি সকলো আধুনিক সুবিধা। স্তম্ভৰ তলত স্থাপন কৰা গেলেৰীত অসম আন্দোলনৰ স্মৃতি বিজড়িত আলোকচিত্ৰ, বাতৰিৰ কাটিং আৰু চাৰিশতাধিক শ্বহীদৰ আৱক্ষ মূৰ্তি সুন্দৰকৈ সজোৱা হৈছে। যিসকল শ্বহীদৰ ফটো পোৱা নগৈছে, তেওঁলোকৰ নামফলক স্থাপন কৰা হৈছে। স্মাৰক ক্ষেত্ৰৰ মাজত ২৪ ঘণ্টাই জ্বলি থাকিবলগীয়া 'শ্বহীদ প্ৰণাম জ্যোতি' মঙলবাৰে ▸▸৬ পৃষ্ঠাত

### বকোত বিশাল জনসভাত মুখ্যমন্ত্ৰীৰ ঘোষণা

## ৩ লাখতকৈ অধিক পৰিয়াললৈ পিএমআৱাস যোজনাৰ অনুমোদন



**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত ৰাজ্যৰ সৰ্বমুঠ ৩, ২৫, ২৩৪টা পৰিয়ালক অনুমোদন পত্ৰ আৰু গৃহ নিৰ্মাণৰ প্ৰথম কিস্তিৰ ধন বিতৰণৰ এক ব্যাপক অভিযানৰ শুভাৰম্ভ ▸▸৬ পৃষ্ঠাত

### নিৰ্বাচনলৈ মাজত মাত্ৰ পাঁচটা মাহ; আৰম্ভ হৈছে দলবাগৰা ৰাজনীতি

## গেৰুৱা বসন পিন্ধিলে প্ৰাক্তন আটছু নেতা ধীৰাজ গোৱালাই

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ পাঁচটা মাহ থকা অৱস্থাত ৰাজ্যৰ শাসক-বিৰোধী সকলো সৰু-বৰ ৰাজনৈতিক দলে আৰম্ভ কৰিছে নিৰ্বাচনী কুজকাৱাজ। ইয়াৰ লগে লগে আৰম্ভ হৈছে ▸▸৬ পৃষ্ঠাত



## অসম চৰকাৰৰ ১০ লাখ টকাৰ লগতে চৰকাৰী চাকৰি ঘোষণা

## দৃষ্টিহীন টি-২০ বিশ্বকাপ জয়ী ছিমু দাসলৈ পুৰস্কাৰ ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** অসমৰ গৌৰৱ ছিমু দাসক ৰাজ্য চৰকাৰে এক ঐতিহাসিক সিদ্ধান্তৰে সন্মানিত কৰিছে। উদ্বোধনী দৃষ্টিহীন মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপত ভাৰতক চ্যাম্পিয়ন কৰা ▸▸৬ পৃষ্ঠাত



## জুবিন গাৰ্গলৈ মৰণোত্তৰভাৱে ডি.লিট সন্মান প্ৰদান কটন বিশ্ববিদ্যালয়ৰ

### আমি বিচাৰো যে তদন্তৰ চূড়ান্ত চাৰ্জশ্বীট অতি শক্তিশালী হওক, কোনো ফুটা নোহোৱাকৈ প্ৰস্তুত হওক ঃ পাল্মী বৰঠাকুৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** প্ৰাণপ্ৰিয় শিল্পী তথা অসমৰ সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ মৃত্যুৰ পিছতো সন্মানৰ ধাৰাবাহিকতা অব্যাহত আছে। মঙলবাৰে গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত কটন বিশ্ববিদ্যালয়ৰ চতুৰ্থ সমাৱৰ্তনত জুবিন গাৰ্গক মৰণোত্তৰভাৱে ডক্টৰ অৱ লিটাৰেচাৰ (D.Litt) উপাধিৰে সন্মানিত কৰা হয়। ৰাজ্যপাল তথা কটন বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অধ্যক্ষতাত অনুষ্ঠিত এই সমাৱৰ্তনত ▸▸৬ পৃষ্ঠাত




## গোৱাৰ নাইট ক্লাবৰ অগ্নিকাণ্ডত নিহত কাছাৰৰ মনজিৎ, ৰাহুলৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** গোৱাৰ উত্তৰ জিলাৰ আৰপোৰাত শনিবাৰে মাজনিশা সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত নিহত কাছাৰ জিলাৰ দুই যুৱক মনজিৎ মাল আৰু ৰাহুল তাঁতীৰ মৃতদেহ মঙলবাৰে পুৱাই স্বগৃহলৈ অনা হয়। ধৰ্মীয় ▸▸৬ পৃষ্ঠাত

## চামগুৰিৰ লৰিৰমুখত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ৩৪২৯টা গৃহৰ অনুমোদন পত্ৰ বিতৰণ



**অসম বাৰ্তা, ৰূপহীহাট, ৯ ডিচেম্বৰ ঃ** চামগুৰিৰ সমষ্টিৰ লৰিৰমুখ প্ৰেক্ষাগৃহত আজি দুপৰীয়া শিঙিমাৰী উন্নয়ন খণ্ড আৰু গড়াজান উন্নয়ন খণ্ডৰ ৩৪২৯টা পৰিয়ালক প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহৰ অনুমোদন পত্ৰ বিতৰণ কৰে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। অনুমোদন পত্ৰ বিতৰণ কৰি নিজৰ ভাষত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অভিলাষী প্ৰচেষ্টা বিজেপি চৰকাৰৰ অন্তৰ্দয় নীতিৰ জৰিয়তে শিক্ষা, স্বাস্থ্য, ঘৰ আন্তঃগাঁথনি সমাজৰ দৰিদ্ৰতম ▸▸৬ পৃষ্ঠাত

### আৰক্ষী-প্ৰশাসনে গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ ভুক্তভোগী পৰিয়ালৰ

## লিডুত সক্ৰিয় গাড়ী চুৰি চক্ৰ; আৰক্ষী চকী ঘেৰাও

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৯ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটাৰ লিডুত সক্ৰিয় গাড়ী চুৰি চক্ৰ। বিগত সময়ত লিডুৰ অঞ্চলৰ ১০০ ৰো অধিক Bolero Pick Up 4x4 বাহন চুৰি হয়। এই চুৰি চক্ৰৰ মাষ্টাৰমাইণ্ড দীপক ঝা, দীপক জয়চোৱাল আৰু সঞ্জীৱ সোনাৰ বিৰুদ্ধে ভুক্তভোগী পৰিয়ালসমূহে ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আহিছে যদিও লিডু আৰক্ষী প্ৰশাসনে এইক্ষেত্ৰত যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তেনে ব্যৱস্থা গ্ৰহণ ▸▸৬ পৃষ্ঠাত



### প'ষ্ট মেলনৰ কনচাৰ্টে বিশ্বৰ মানচিত্ৰত স্থান দিলে অসমক ঃ মুখ্যমন্ত্ৰী

## লণ্ডন-জাৰ্মানীকে ধৰি ইউৰোপৰ বিভিন্ন দেশৰ হাজাৰ হাজাৰ দৰ্শকৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** আমেৰিকান পপ ষ্টাৰ প'ষ্ট মেলনৰ গুৱাহাটীত অনুষ্ঠিত হোৱা কনচাৰ্টক "ঐতিহাসিক" বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দাবী ▸▸৬ পৃষ্ঠাত



## কংগ্ৰেছৰ প্ৰাৰ্থীৰ টিকটৰ মূল্য এক কোটিৰ পৰা দহ কোটি টকালৈকে উঠি-নমাৰ অভিযোগ মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছ দলৰ ভিতৰত প্ৰাৰ্থী বাছনি আৰু টিকট বিতৰণক লৈ দেখা দিয়া সংকট এতিয়া ৰাজহুৱা হৈ পৰিছে। মঙলবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ ▸▸৬ পৃষ্ঠাত

## ৮ ডিচেম্বৰত ৰাইজে জুবিনৰ ন্যায় বিচাৰিছিল, কিন্তু প'ষ্ট মেলনৰ কনচাৰ্টহে হ'ল ঃ গৌৰৱ গগৈ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ চাৰ্জশ্বীট বা এছআইটিৰ প্ৰতিবেদন প্ৰকাশৰ বাবে অসমৰ ৰাইজে যিদিনা আশাৰে বাট চাই আছিল, সেই ৮ ডিচেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমেৰিকান শিল্পী প'ষ্ট মেলনৰ কনচাৰ্টৰ প্ৰশংসাত মাত মাতিলে। এই প্ৰসংগত ৰাজ্য চৰকাৰৰ অগ্ৰাধিকাৰক লৈ ▸▸৬ পৃষ্ঠাত




## বিশাল মিশ্ৰ আৰু শিল্পা ৰাওৱে জীপাল কৰিব উমৰাংছুৰ 'ফেলকন ফেষ্টিভেল'



**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** ডিমা হাছাওৰ উমৰাংছুত অনুষ্ঠিত হ'বলগীয়া একাদশ ফেলকন উৎসৱত এইবাৰ বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী বিশাল মিশ্ৰ আৰু শিল্পা ৰাওৱে সংগীত পৰিৱেশন কৰিব। ১২ আৰু ১৩ ডিচেম্বৰত গ'ল্ফ ক'ৰ্টত আয়োজিত এই উৎসৱত তেওঁলোকৰ সংগীতেৰে আয়োজনস্থলী জীপাল কৰি তুলিব। শীতকালৰ আগমনৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতিয়ে সৌন্দৰ্য্যৰ নতুন ৰূপ ধাৰণ কৰে। দেশী-বিদেশী বিভিন্ন চৰাইৰ আগমনে ইয়াক আৰুও বিতোপন কৰি তোলে। এনে মনোমোহা পৰিৱেশতে ফেলকন উৎসৱৰ ▸▸৬ পৃষ্ঠাত

## তেজপুৰত ঘৰচীয়া হাতীৰ আক্ৰমণত নিহত যুৱক

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ডিচেম্বৰ ঃ** তেজপুৰৰ গেৰেকীৰ ব্ৰহ্মপুত্ৰৰ বালিচাপৰিত এটা ঘৰচীয়া হাতীৰ আক্ৰমণত এজন যুৱকৰ মৃত্যু হোৱাৰ অভিযোগ উঠিছে। মৃত যুৱকজনৰ নাম গুদ্দু খান ওৰফে পিলপিলি (বয়স প্ৰায় ২৮-৩০)। তেওঁৰ ঘৰ তেজপুৰৰ বাৰিকাচুবুৰী অঞ্চলত। জানিব পৰা মতে, মঙলবাৰে পুৱা প্ৰায় ৮ বজাৰ পৰা ৯ বজাৰ ভিতৰত গুদ্দু খান ব্ৰহ্মপুত্ৰৰ ▸▸৬ পৃষ্ঠাত



### বৰক্ষেত্ৰীৰ বনপুৰা গাঁৱৰ ছাত্ৰ সন্ধানহীন

# নলবাৰী কলেজলৈ গৈ সন্ধানহীন মুকালমুৱা থানাৰ অন্তৰ্গত বনপুৰা গাঁৱৰ আব্দুল মতিন চৰকাৰ নামৰ ছাত্ৰজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৯ ডিচেম্বৰ ঃ** বৰক্ষেত্ৰীৰ বনপুৰা গাঁৱৰ এজন ছাত্ৰ সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নলবাৰী কলেজলৈ গৈ সন্ধানহীন হোৱা ছাত্ৰজনে বনপুৰা গাঁৱৰ পৰা প্ৰতিদিনৰ দৰেই স্কুটিৰে নলবাৰী কলেজলৈ যায় যদিও ছাত্ৰজন যোৱা ২২ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ থকাত পুত্ৰক বিচাৰি এতিয়া চকুপানীৰে বাট নেদেখা হৈছে দুৰ্ভগীয়া পিতৃ-মাতৃয়ে। নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত বনপুৰা গাঁও নিবাসী ৰমিজ উদ্দিন চৰকাৰ আৰু মৰ্ছিদা খাতুনৰ পুত্ৰ আব্দুল মতিন চৰকাৰ নামৰ যুৱকজন যোৱা কিছুদিন ধৰি সন্ধানহীন হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি আব্দুল মতিন চৰকাৰ নামৰ ছাত্ৰজনে প্ৰতিদিনৰ দৰেই AS-14U-1497 নম্বৰৰ স্কুটিৰে নলবাৰী কলেজলৈ গৈছিল। যোৱা ২২ নৱেম্বৰ শনিবাৰে পুৱা প্ৰায় ১০বজাত কলেজলৈ বুলি ৰাওনা হোৱা ছাত্ৰজনে প্ৰতিদিনে ৪ মান বজাত ঘৰলৈ আহে যদিও সিদিনা ছাত্ৰজনে মাকক ৩.৩০ মান বজাত ফোন কৰিছিল যদিও মাক ফোনৰ ওচৰত নাছিল বাবে ফোন উঠাব পৰা নাছিল। পিছত কল বেক কৰাত ফোন ছুইচ অফ, বিজি আৰু কল ফৰৱাৰ্ডিং দেখাই থাকে বুলি জনাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে। বি চি এ প্ৰথম যাণ্মাসিকৰ ছাত্ৰজন কলেজলৈ গৈ উভতি নহাত চিন্তিত হৈ পৰিছে পৰিয়ালটো। স্কুটিসহ আব্দুল মতিন চৰকাৰ নামৰ ছাত্ৰজনক বিচাৰি নাপাই উপায়ন্তৰ হৈ অৱশেষত নলবাৰী সদৰ আৰক্ষী থানাত যুৱকজনৰ সন্ধান বিচাৰি পৰিয়ালৰ লোকে এজাহাৰ দাখিল কৰে। কোনো সদাশয় লোকে যুৱকজনৰ সন্ভেদ লাভ কৰিলে পৰিয়ালৰ 8638222300 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে দুৰ্ভগীয়া পিতৃ-মাতৃ তথা পৰিয়ালৰ লোকে।

# সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ আমবাৰী বাৰেগড় আঞ্চলিকৰ উদ্যোগত আমবাৰীত অগপৰ বৃহৎ যোগদান কাৰ্য্যসূচী

**অসম বাৰ্তা, লেংটিছিঙা, ৯ ডিচেম্বৰ ঃ** যুৱ নেতা ছাহিদুল হকৰ নেতৃত্বত অসম গণ পৰিষদ দলত ১২২জন ব্যক্তিয়ে কংগ্ৰেছ আৰু AIUDF দলৰ পৰা আহি অসম গণ পৰিষদ দলত যোগদান কৰে। কিন্তু ৰাজনৈতিক মহলত এক খলকনিৰ সৃষ্টি কৰি আজি এক বিশেষ অনুষ্ঠানৰ মাজেৰে সৃজনগ্ৰাম সমষ্টিৰ টিকট প্ৰত্যাশী প্ৰাৰ্থী তথা যুৱ নেতা ছাহিদুল হকৰ নেতৃত্বত আমবাৰী বাৰেগড় পঞ্চায়তখনৰ প্ৰায় ১২২জন ব্যক্তিয়ে অসম গণ পৰিষদ দলত আনুষ্ঠানিক ভাৱে যোগদান কৰে। যোগদানৰ পিছত সকলো সদস্য-সদস্যা সকলে কয়, অসম গণ পৰিষদ দলৰ নীতি-আদৰ্শ আৰু জনমুখী কাৰ্যসূচীয়ে তেওঁলোকক প্ৰেৰণা যোগাইছে। তেওঁলোকে পঞ্চায়ত আৰু অঞ্চল বাসীৰ সৰ্বাংগীণ উন্নয়নক সৰ্বোচ্চ প্ৰাধিকাৰ দি আগন্তুক দিনত একত্ৰিত ভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। মুঠৰ ওপৰত আজিৰ এই যোগদান কাৰ্যসূচীয়ে কংগ্ৰেছ আৰু AIUDF শিবিৰত খলকনিৰ সৃষ্টিৰ লগতে স্থানীয় ৰাজনীতিত নতুন ৰং যোগাইছে। কংগ্ৰেছ আৰু AIUDF শিবিৰত এই ঘটনাই বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। আগন্তুক দিনত এই পৰিৱৰ্তনৰ স্থানীয় ৰাজনীতিত গতি-প্ৰকৃতিত কেনেদৰে প্ৰভাৱ পেলায়, সেয়া সময়ে ক'ব। আজিৰ এই কাৰ্য্যসূচীত উপস্থিত থাকে সমষ্টি কমিটিৰ সভাপতি আব্দুল হক, সাধাৰণ সম্পাদক আনিছুল চৌধুৰী, সাংগঠনিক সম্পাদক ওমৰ আলী, সমষ্টি প্ৰতিনিধি মহাচিন আহমেদ, আব্দুল মন্নাফ, লুতফৰ ৰহমান, গাওঁ পঞ্চায়তৰ উপ সভাপতি ৰাশিদুল ইছলাম, সদস্য ছাহিদুল ইছলাম, আঞ্চলিকৰ সভাপতি চুলতান মামুদ, সম্পাদক জয়নাল আবেদিন তালুকদাৰ, ইজ্জত আলীৰ লগতে দলীয় কৰ্মকৰ্তা সকল।

# যোৰহাট সৰুচৰাইত উচুপিছে ত্ৰি-শ্বহীদৰ আত্মাই

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৮ ডিচেম্বৰ ঃ** আজি শ্বহীদ দিৱস। খগেশ্বৰ তালুকদাৰৰ মৃত্যুৰ লগত সংগতি ৰাখি ৰাজ্যতে পালন কৰি অহা হৈছে শ্বহীদ দিৱস। ৫ বছৰীয়া অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰথমগৰাকী শ্বহীদ খগেশ্বৰ তালুকদাৰৰ লগতে ৮৫৯ গৰাকী শ্বহীদ হৈছিল। যোৰহাটৰ সৰুচৰাইত শ্বহীদ হৈছিল তিনিগৰাকী। তেওঁলোক হ'ল প্ৰবীণ ভট্টাচাৰ্য, বিপিন বৰা, জীতেন বৰা। ১৯৮৩ চনত অনুষ্ঠিত ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন সদৌ অসম ছাত্ৰ সন্থা, অসম গণ সংগ্ৰাম পৰিষদ তথা আন্দোলনকাৰীয়ে অবৈধ ঘোষণা কৰিছিল। সেই নিৰ্বাচনৰে এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে নিৰ্বাচনৰ বাবে ভোট বিচাৰি আহোঁতে সৰুচৰাই চাহ বাগিচাৰ খেলপথাৰত পশ্চিম যোৰহাট অঞ্চলৰ আন্দোলনকাৰীসকলে ভেটো দিছিল। তেতিয়াই ৮ ফেব্ৰুৱাৰীৰ দিনা প্ৰাৰ্থীগৰাকীৰ লগত অহা আৰক্ষীয়ে আন্দোলনকাৰীলৈ গুলিয়াইছিল আৰু জেনেয়েটৰে খুচিছিল। উক্ত স্থানতে গুলীবৃদ্ধ হোৱাত প্ৰবীণ ভট্টাচাৰ্যৰ ঘটনাস্থলীতে মৃত্যু হৈছিল। চিকিৎসাধীন অৱস্থাত ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত ভালেকেইদিনৰ পাছত বিপিন বৰাৰ আৰু ভালেকেইবছৰৰ পৰা জীতেন বৰাৰ মৃত্যু হৈছিল। সদৌ অসম ছাত্ৰ সন্থাই তিনিওগৰাকীকে শ্বহীদ ঘোষণা কৰিছিল। প্ৰবীণ ভট্টাচাৰ্যৰ ঘৰৰ সমীপৰে সৰুচৰাই আলিৰ কাষৰ ৰমাকান্ত সমাজ কল্যাণ সংঘ প্ৰাংগণত প্ৰবীণ ভট্টাচাৰ্যৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিছিল। সেইদৰে বিপিন বৰাৰ ঘৰৰ সমীপৰে পৰ্বতীয়া গাঁৱৰ শংকৰদেৱ পাঠাগাৰ প্ৰাংগণত শ্বহীদগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিছিল। ভাতেমৰা গাঁৱৰ জীতেন বৰাৰ মৃত্যুৰ পাছত নিজা পট্টাৰ ভূমিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিছিল। আৱেগিক ৰাইজে সৰুচৰাই চাহ বাগিচাৰ খেলপথাৰখনৰ পূব-দক্ষিণ দিশৰ চুকত ঘটনাৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে স্মাৰক নিৰ্মাণৰ লগতে প্ৰবীণ ভট্টাচাৰ্য আৰু বিপিন বৰা সমাধিও পকীকৰণ কৰিছিল। জীতেন বৰাৰ সমাধি পৰিয়ালৰ লোকে নিজস্বভাৱে নিৰ্মাণ কৰালে। তাৎপৰ্যপূৰ্ণ যে, সৰুচৰাই চাহ বাগিচাৰ স্মাৰক স্মৃতিসৌধ আজিও সম্পূৰ্ণ নহ'ল। সমাধিকেইটা পৰিয়ালৰ লোকে মেৰামতি কৰালে যদিও প্ৰবীণ ভট্টাচাৰ্যৰ সমাধিটো কিছুদিনৰ পূৰ্বে সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে দিয়া অনুদানেৰে মেৰামতি কৰাইছিল যদিও আজিও সম্পূৰ্ণ নহ'ল। ইফালে, তিনিওগৰাকী শ্বহীদৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ভাতেমৰা নামঘৰৰ দক্ষিণ দিশত ভাতেমৰা সমাজ কল্যাণ আৰু সামূহিক কেন্দ্ৰৰ হৈ মুনিন বৰাই ক্ৰয় কৰি থৈ যোৱা ভূমিত ত্ৰি-শ্বহীদ ভৱন নিৰ্মাণৰ বাবে সেই সময়ৰ বিধায়ক সুশীলা হাজৰিকাই ২ লাখ টকা আগবঢ়াইছিল। সেই ধনো চান কাঢ়িলে একাংশই। কাম সম্পূৰ্ণ নোহোৱাত বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে দুবাৰকৈ ধন অনুমোদন কৰিছিল যদিও মঞ্চ আৰু প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ল যদিও দৰ্জা-খিৰিকি লগাবলৈ ধনে নুজুৰিলে। কিমান টকা আৱণ্টন হৈছিল তাৰো তথ্য ফলক লগোৱা নহ'ল। ইফালে, পৃথককৈ দক্ষিণ দিশৰ ভূমিৰ সীমাত পকী দেৱাল দিবলৈ ধনৰ আৱণ্টন বিধায়কজনে দিছিল যদিও তাতো তথ্য ফলক লগোৱা নহ'ল। সেয়ে, কিমান ধন আৱণ্টন হৈছিল তাৰো জ্ঞাত নহ'ল স্থানীয় লোকসকল। সেই সময়ৰ আন্দোলনকাৰীৰ অধিকসংখ্যকেই বৰ্তমান বি জে পি দলৰ স্থানীয় নেতা, পালি নেতা, সদস্য। কেইগৰাকীমান অগপ দলৰ জড়িত হৈ আছে। এইসকলৰ কৰ্ম-কাণ্ড দেখি তিনিওগৰাকী শ্বহীদৰ আত্মাই উচুপিছে।

## নগাঁৱৰ মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ ডিচেম্বৰ ঃ** ১৯৫১ চনত স্থাপিত নগাঁৱৰ ঐতিহ্যমণ্ডিত মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়খনিয়ে আগন্তুক ২০২৬ বৰ্যত সম্পূৰ্ণ কৰিব ৭৫ বছৰীয়া এক সুদীৰ্ঘ পৰিক্ৰমা। বিগত সময়চোৱাত বৃহত্তৰ পাথৰি অঞ্চলৰ উপৰি ভোটাইগাঁও, চকৰিগাঁও, উৰিয়াগাঁও, কাটনিগাঁও, পৰুৱাগাঁও, ডিমৰুগুৰি, মাহৰোলকে ধৰি বিভিন্ন অঞ্চলৰ হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে শিক্ষাগ্ৰহণ কৰা এই বিদ্যালয়খনৰ সৈতে জড়িত হৈ আছে অলেখ স্মৃতি। এই আপাহতে বিদ্যালয়খনৰ বৰ্তমান আৰু প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীসকল, বিদ্যালয় পৰিচালনা সমিতিৰ লগতে বৃহত্তৰ অঞ্চলবাসী একত্ৰিত হৈ হীৰক জয়ন্তী অনুষ্ঠান ভাগ আয়োজনৰ চিন্তা-চৰ্চা কৰা হৈছে। এই উদ্দেশ্যে যোৱা ৭ ডিচেম্বৰৰ বিয়লি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লক্ষ্মী প্ৰসাদ শৰ্মাই আঁত ধৰা এই সভাখনত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ ভূঞাই। সভাত বিদ্যালয়খনৰ আগন্তুক হীৰক জয়ন্তী অনুষ্ঠানটি অনুষ্ঠিত কৰা সম্পৰ্কত বিভিন্নজনে মতামত আগবঢ়ায় আৰু সভাৰ সিদ্ধান্ত অনুসৰি ভৱিষ্যত কাৰ্যপন্থাৰ বাবে এখন ২৮ জনীয়া আহ্বায়ক সমিতি গঠন কৰা হয়। শিক্ষাবিদ তথা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি টংকেশ্বৰ শৰ্মা, গাঁওপ্ৰধান ভাৰত চন্দ্ৰ শইকীয়া, অধিবক্তা অজিত কুমাৰ বৰা, সমাজকৰ্মী গোলাপ কলিতা, লেখক ভোলা কলিতা, চন্দ্ৰ শইকীয়া, অনিল শৰ্মা, মিত্ৰকমল বৰাৰ উপৰি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াকে ধৰি যথেষ্ট সংখ্যক লোক উক্ত সভাখনত উপস্থিত থাকে। উল্লেখ্য যে, অহা ১১ ডিচেম্বৰৰ বিয়লি ১ বজাত এই সম্পৰ্কত বিস্তৃত আলোচনাৰ বাবে আহ্বায়ক মণ্ডলীক লৈ এখন সভা বিদ্যালয়খনৰ প্ৰেক্ষাগৃহতে আয়োজন কৰা হৈছে বুলি জানিব পৰা গৈছে।

## সৰুপথাৰ এপেক্স বেংক শাখাত অসম কোঃঅপাৰেটিভ এপেক্স বেংকৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, ধনশিৰি, ৯ ডিচেম্বৰ ঃ** সৰুপথাৰ এপে' বেংক শাখাত অসম কোঃঅপাৰেটিভ এপেক্স বেংকৰ ৭৮সংখ্যক প্ৰতিষ্ঠা দিৱস পালন। যোৱা দেওবাৰ ৭ ডিচেম্বৰ তাৰিখে অসমৰ কোঃঅপাৰেটিভ এপেক্স বেংকে গৌৰৱপূৰ্ণভাৱে ৭৮বছৰত ভৰি দিলে। সেয়েহে সোমবাৰে অৰ্থাৎ ৮ডিচেম্বৰ তাৰিখে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত থকা এপেক্স বেংকৰ শাখা সমূহত ৭৮সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। সমান্তৰালভাৱে সৰুপথাৰ এপেক্স বেংক শাখাটো এই প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে শাখাটোৰ পৰিচালক ৰাজু বৰাই। আনহাতে সভাখনত সভাপতিত্ব কৰে সৰুপথাৰ অঞ্চলৰ বিশিষ্ট ব্যক্তি তথা জেষ্ঠ নাগৰিক ইন্দ্ৰকান্ত শৰ্মাই। অৰ্ধ শতাধিক গ্ৰাহকৰ উপস্থিতিত আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰা প্ৰতিষ্ঠা দিৱসৰ সভাখনত সৰুপথাৰ অঞ্চলৰ বিশিষ্ট সাংবাদিক দ্বিপেন কুমাৰ বৰা আৰু তাই আহোম উন্নয়ন পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সদস্য পৰমানন্দ লাহনকে ধৰি বহুকেইজন গ্ৰাহকে বেংকটোক উদ্দেশ্যি সাৰুৱা ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ শেষত সভাপতি ইন্দ্ৰকান্ত শৰ্মাই উপস্থিত সকলো গ্ৰাহকক উদ্দেশ্যি বেংকটোৰ সম্পৰ্কত দীঘলীয়া মন্তব্য আগবঢ়াই আৰু সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি সভাখনৰ সামৰণি মাৰে।

# ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী উপলক্ষে লাইখুঁটা স্থাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত অহা ইং ১৩ আৰু ১৪ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰূপালী জয়ন্তী উদ্‌যাপন উপলক্ষে আজি লাইখুঁটা স্থাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভণি হয় বিশিষ্ট শিক্ষাবিদ গুণকান্ত শইকীয়াৰ বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পিছতে আইসকলৰ উৰুলি ধ্বনিৰ মাজত লাইখুঁটা স্থাপন কৰে বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্ত আৰু বাণীপুৰৰ জ্যেষ্ঠ

### উপস্থিত থাকিব ড° বসন্ত কুমাৰ গোস্বামী

ব্যক্তিসকলে তেওঁক সহযোগিতা আগবঢ়ায়। লাইখুঁটা স্থাপন কৰি আগবঢ়োৱা মন্তব্যত সভাপতিয়ে সকলোৰে জ্ঞানাৰ্থে ৰূপালী জয়ন্তীৰ দুদিনীয়া অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকা, সাহিত্যাচাৰ্য ড° ভীমকান্ত বৰুৱা, ড° অনিল শইকীয়া, ড° কৰবী বৰুৱা গগৈ, প্ৰহ্লাদ চন্দ্ৰ তাছা, বদন গগৈ, কৃষ্ণ কান্ত বৰা, ড° শশীকান্ত শইকীয়া, ড° পংকজ বৰঠাকুৰ, ডাঃ শান্তনু লহকৰ, নোমল গগৈ, পৰমেশ্বৰ নলবৰীয়াসহ বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি জনায় আৰু সহায়-সহযোগিতা আগবঢ়োৱা সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত উপস্থিত সমজুৱাৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। বাণীপুৰ শাখা সাহিত্য সভাৰ সম্পাদক ড° দিব্যজ্যোতি বৰাই আগবঢ়োৱা কৃতজ্ঞতা জ্ঞাপনেৰে অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। এই অনুষ্ঠানত তৰুণ কুমাৰ গগৈ, ভৱানন্দ গগৈ, ইন্দ্ৰ গগৈ, জীৱন গোহাঁই, নিৰ্মল শইকীয়া, জগত দুৱৰা, দীপক দত্ত, পদ্মা শইকীয়া খনিকৰ, হিৰণ্য দত্ত (উষা), পূৰবী চাংমাই বৰুৱা, পূৰবী শইকীয়া, নিভা বৰুৱা, নমিতা বৰুৱা, অঞ্জলি সোণোৱাল, অৰ্চনা বৰুৱা, ৰুবী দুৱৰাসহিতে প্ৰায় অৰ্ধ শতাধিক ব্যক্তি উপস্থিত থাকে।

# বৰডুমচাত গ্ৰাম্য পথ নিৰ্মাণত ব্যাপক বিসংগতি

### "ব্লেকলিষ্টেড কৰক পাপু শৰ্মাৰ বি আই পি এলৰ অনুজ্ঞা পত্ৰ" - স্থানীয় ৰাইজ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৯ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰডুমচা নিকটৱৰ্তী 'কুজু পথাৰ-নতুন গাঁও-টৰিবাৰী সংযোগী পথ'ৰ নিৰ্মাণ কাৰ্যত ব্যাপক বিসঙ্গতিয়ে সকলোৰে চকু কপালত তুলিছে। জনৈক পাপু শৰ্মা মালিকানাধীন 'বি আই পি এল' নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে 'আৰ আই ডি এফ' আঁচনি যোগে লাভ কৰিছিল উক্ত পথ নিৰ্মাণৰ ঠিকা। কিন্তু পথটোৰ নিৰ্মাণকাৰ্যৰ মান ইমানেই নিকৃষ্ট, যাৰ বাবে স্থানীয় সচেতন লোকে প্ৰতিষ্ঠানটোক 'ব্লেক লিষ্টেড' কৰাৰ দাবী তুলিবলৈ বাধ্য হৈছে। দুৰ্নীতিমুক্ত অসম গঢ়াৰ কথা কোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চকুত ধূলি দি পাপু শৰ্মা নামৰ বিতৰ্কিত ঠিকাদাৰজনে বিভাগীয় নীতি-নিয়মক অঙ্গুষ্ঠ প্ৰদৰ্শন কৰি নিৰ্মাণ কৰিছে শতবৰ্ষীয় গাঁওখনে প্ৰথম বাৰৰ বাবে লাভ কৰা পকী পথটোৰ নিৰ্মাণকাৰ্য। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত কুজু পথাৰ-নতুন গাঁও-টৰিবাৰী সংযোগী পথটোৰ নিৰ্মাণত সংঘটিত হোৱা দুৰ্নীতি সন্দৰ্ভত আজি সোচ্চাৰ হৈ পৰিছে স্থানীয় ৰাইজ। অভিযোগ অনুসৰি, 'চাইড বাম' নিৰ্মাণ নকৰাৰ উপৰি চাফা নকৰাকৈ মাটি-বালিৰ ওপৰতে কাৰ্পেটিং কৰাৰ ফলত চপৰা চপৰে হাতেৰে এৰুৱাব পৰাকৈ এৰিছে নৱনিৰ্মিত পথটোৰ 'ব্লেক টপিং'। পথটোত নীতিমতে শিল প্ৰয়োগ নকৰাৰো গুৰুতৰ অভিযোগ উঠিছে। ধূলিৰ ওপৰত কাৰ্পেটিং কৰাৰ ফলত বখলা-বখলে এৰি গৈছে বহুকেইটা স্থানত কাৰ্পেটিং। আজি পুৱাই পথটোত কৰ্মৰত অৱস্থাত স্থানীয় সচেতন ৰাইজে জবাবদিহি কৰাত পুনৰ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে প্ৰতিষ্ঠান কৰ্তৃপক্ষই। প্ৰায় ছমাহৰ পূৰ্বে নিৰ্মাণ কৰা পথটোৰ ভাঙি যোৱা অংশসমূহো পুনৰ নিৰ্মাণ কৰিব। পথটোৰ নিৰ্মাণৰ তদাৰকীৰ দায়িত্বত থকা অভিযন্তা যশৱন্ত চাৰাউগীয়ে ঠিকাদাৰৰ পকেটত সোমাই থকাৰ বাবেই অনিয়ম হ'বলৈ পালে বুলি মতামত প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। এনে মাৰাত্মক অনিয়ম সংঘটিত কৰা পাপু শৰ্মাৰ বি আই পি এল নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ অনুজ্ঞাপত্ৰ 'ব্লেক লিষ্টেড' কৰিবলৈকো বিভাগীয় কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনাইছে স্থানীয় ৰাইজে।

### চুবুৰীয়া গাঁৱৰ গাঁও প্ৰধানক দায়িত্ব প্ৰদান

# বকোৰ ১ নং ২ নং আৰু ৩ নং ভাটিপাৰা গাঁৱৰ গাঁও প্ৰধানক মজনুৰ হকক চৰকাৰীভাৱে নিলম্বন

**অসম বাৰ্তা, বকো, ৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বকোৰ ১ নং; ২ নং আৰু ৩ নং ভাটিপাৰা গাঁৱৰ গাঁও প্ৰধান মজনুৰ হকক অসামাজিক কাৰ্য্যকলাপত জড়িত থকা অভিযোগত চৰকাৰী চিঠি নম্বৰ E-162329 RM-16/16/2025KRM/2 date 17 November 2025 মৰ্মে বকো-ছয়গাঁও সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ তৰফৰ পৰা নিলম্বন কৰা হয়। ইফালে তিনিওখন ৰাইজৰ সভাপতি আৰু সম্পাদকৰ উপৰিও সাধাৰণ ৰাইজে জনোৱা অনুসৰি নিলম্বন কৰা গাঁও প্ৰধান মজনুৰ হকৰ স্থানত চুবুৰীয়া গাঁৱৰ গাওঁ প্ৰধান অজিত ৰাভাক অতিৰিক্ত ভাৱে দায়িত্ব অৰ্পণ কৰে। ইফালে চুবুৰীয়া গাঁৱৰ গাওঁ প্ৰধান অজিত ৰাভাক আজি ভাটিপাৰা গাঁৱৰ ৰাজহুৱা সাধাৰণ সভা আয়োজন কৰি সমূহীয়াভাৱে সম্বৰ্ধনা জনায় দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। আজি ভাটিপাৰা সংঘৰ বাকৰিত গাওঁ খনৰ সচেতন সমাজ কৰ্মী নিপুন ৰাভা; জেহেৰুল আলীৰ তৎপৰতাত আয়োজন কৰা ৰাজহুৱা সভাৰ জৰিয়তে অজিত ৰাভাক গাওঁ প্ৰধান হিচাপে বিপুল আদৰণি জনায়। লগতে গাঁৱৰ সকলোকে পূৰ্বৰ গাওঁ প্ৰধান মজনুৰ হকৰ লগত যোগাযোগ নাৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে; বকো-ছয়গাঁও সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ দ্বাৰ প্ৰেৰণ কৰা BCCS-06/2025/138 নম্বৰ মেমো মৰ্মে ১ নং; ২ নং আৰু ৩ নং ভাটিপাৰা গাঁৱৰ ৰাইজক গাঁও প্ৰধানৰ সেৱা আগবঢ়াবলৈ আনুস্থানিক ভাৱে চিঠি প্ৰেৰণ কৰা হৈছে গাওঁ প্ৰধান অজিত ৰাভাক। ইফালে পূৰ্বৰ গাওঁ প্ৰধান মজনুৰ হকক ৰাজহুৱা তথা চৰকাৰী যিকোনো কাম কাজৰ বাবে যোগাযোগ নকৰিবলৈ ৰাজহুৱা সিদ্ধান্ত ঘোষণা কৰে।

## গেলেকীৰ আঠখেল খেলপথাৰত মুখ্যমন্ত্ৰী চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতাৰ শুভ উদ্বোধন

**অসম বাৰ্তা, গেলেকী, ৯ ডিচেম্বৰ ঃ** নাজিৰা সমজিলা অন্তৰ্গত গেলেকী আঠখেল খেলপথাৰত অসম চৰকাৰৰ চাহ জনজাতি তথা আদিবাসী কল্যাণ সঞ্চালকালয় আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত সমষ্টি পৰ্যায়ৰ ১৭ বছৰৰ অনুৰ্দ্ধ "মুখ্যমন্ত্ৰী চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতা"ৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধন কৰে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা মুখ্যমন্ত্ৰী চাহ জনজাতি বৰ্ডৰ সভাপতি ময়ূৰ বৰগোহাঁইয়ে। ইয়াৰ উপৰিও আজিৰ এই উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকে সহকাৰী আয়ুক্ত অৰুণাভ সোণোৱাল, তথ্য আৰু জনসংযোগ বিষয়া ড°বৰ্ণালী দত্ত, চিকিৎসা বিষয়া ডাঃ প্ৰদ্যুৎ কোঁৱৰ, শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়, গেলেকী তথা আমগুৰি চাহ বাগিচাৰ মেনেজাৰ ক্ৰমে প্ৰণৱ বৰুৱা আৰু ময়ূৰেশ বৰুৱা, বিশিষ্ট লেখিকা তথা স্বৰাজ অকাডেমিৰ অধ্যক্ষ ড° অসমী গগৈ বৰুৱা, চাহ জনগোষ্ঠীৰ বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দ সকল আৰু স্থানীয় ৰাইজ। তদুপৰি, প্ৰতিযোগিতা আৰম্ভ হোৱাৰ প্ৰাকমুহূৰ্তত স্থানীয় ল'ৰা ছোৱালী সকলে ঝুমুৰ নৃত্য পৰিৱেশন কৰাৰ উপৰিও যোগাভ্যাস প্ৰদৰ্শন কৰে। উল্লেখ্য যে, চাহ বাগিছা সমূহৰ সুপ্ত হৈ থকা প্ৰতিভা সমূহ বিকশিত কৰাৰ উদ্দেশ্যেৰে আয়োজন কৰা এই প্ৰতিযোগিতা সমূহ অহা ১২ ডিচেম্বৰলৈকে অনুষ্ঠিত হ'ব। আজি প্ৰথম দিনৰ প্ৰতিযোগিতা মেকিপুৰ চাহ বাগিচা আৰু মোদীনগৰ চাহ বাগিচাৰ মাজত অনুষ্ঠিত হয়।

# হীৰক জয়ন্তী উপলক্ষে পিএমশ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চিৰসেউজ গীতৰ প্ৰতিযোগিতা

**অসম বাৰ্তা, ধনশিৰি, ৯ ডিচেম্বৰ ঃ** দৈয়াং ধনশিৰিৰ পৃষ্ঠভূমিত ১৯৫৬চনতে প্ৰতিষ্ঠা লাভ কৰা পিএমশ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে গৌৰৱপূৰ্ণভাৱে ৭১টা বসন্ত গৰকিলে। সেয়েহে বহুজনৰ ত্যাগ আৰু ঘামেৰে প্ৰাণ পাই উঠা বিদ্যালয়খনৰ ঐতিহ্য আৰু ইতিহাসৰ পৃষ্ঠাসমূহ লুটিয়াই স্মৃতিসমূহক জীপাল কৰি তোলাৰ উদ্দেশ্যে আগন্তুক ২৬, ২৭ আৰু ২৮ ডিচেম্বৰ তাৰিখে অতি উলহ-মালহেৰে বিদ্যালয়খনৰ বাকৰিত হীৰক জয়ন্তী সমাৰোহ আয়োজন কৰিবলৈ আগবাঢ়িছে। আনহাতে হীৰক জয়ন্তীৰ সমাৰোহৰ লগত সঙ্গতি ৰাখি বিদ্যালয়খনৰ বাকৰিত ইতিমধ্যে বহুকেইটা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। সোমবাৰেও বিদ্যালয়খনৰ বাকৰিত হীৰক জয়ন্তী উপলক্ষে গোলাঘাট জিলা ভিত্তিক প্ৰাইজমানি চিৰসেউজ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে। প্ৰতিযোগিতাখনত গোলাঘাট জিলাৰ অন্তৰ্গত বহুকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰি তোলে। ইফালে হীৰক জয়ন্তী সমাৰোহৰ লগত সঙ্গতি ৰাখি বিদ্যালয়খনত ৯ডিচেম্বৰ তাৰিখে গোলাঘাট জিলা ভিত্তিক এখনি কুইজ প্ৰতিযোগিতা আৰু ১০ডিচেম্বৰ তাৰিখে মাৰাথান দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে বুলি বিদ্যালয়খনৰ অধ্যক্ষা তথা হীৰক জয়ন্তী সমাৰোহৰ মুখ্য সম্পাদক মিতালী বৰাই জানিবলৈ দিয়ে।

## লেখাপানীৰ সমাজকৰ্মী তথা ব্যৱসায়ী ৰাজু সিঙৰ অকাল বিয়োগ

**অসম বাৰ্তা বিশেষ, জাগুন, ৯ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত লেখাপানীৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজ সেৱক ৰাজু সিঙে দেওবাৰে নিশা এক পথ দুৰ্ঘটনাত পতিত হৈ অকাল মৃত্যুক সাৱটি ল'ব লগা হয়। দেওবাৰে নিশা প্ৰায় ৭: ৩০ মান বজাত আহাৰ গ্ৰহণ কৰি খোজ কাঢ়ি থকা অৱস্থাত জাগুন দিশৰ পৰা অহা এখন তীব্ৰ বেগী মটৰ চাইকেলে ভুল দিশত আহি লোক জনক মহতীয়াই নিয়ে। গুৰুতৰ ভাৱে আঘাত প্ৰাপ্ত হোৱাত তেখেতক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসালয় পোৱাৰ আগতেই আধা বাটতে লোকজনে মৃত্যুক আঁকোৱালি লয়। মাত্ৰ ৫৩ বছৰ বয়সতে অকাল মৃত্যুক সাৱটি লোৱা ৰাজু সিঙে ইহসংসাৰত ভাৰ্যা, একমাত্ৰ পুত্ৰ, দুগৰাকী কন্যা সন্তান আৰু বহু আত্মীয়ক এৰি অজান দেশলৈ গমন কৰে। সকলোৰে লগত মধুৰ সম্পৰ্ক ৰক্ষা কৰি চলা এই গৰাকী বিশিষ্ট ব্যৱসায়ী তথা সমাজ সেৱক ৰাজু সিঙৰ মৃত্যুত সমগ্ৰ অঞ্চল জুৰি শোকৰ বন্যা বোৱা দেখা গৈছে।

**AFFIDAVIT**

Vide an affidavit sworn before the Notary Public, Tinsukia on 25/11/2025, I hereby declare that in my Savings Account passbook of Assam Gramin Vikash Bank (Talap Branch) vide AC No. 7393010016490 my name has been recorded as Sarani Rajtiya instead of Charani Raotiya. Both Charani Raotiya and Sarani Rajtiya are the same person having single identity.

Charani Raotiya
W/O : Lt. Jawani Raotiya
Bojal Gaon, P.O.- Talap
Pin - 786156,
Dist.- Tinsukia (Assam)

*AB-165/2025*

## সুলেখিকা নৱনীতা গগৈলৈ চেলেংহাটৰ বিষ্ণু-জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ নৱোন্মেষ বঁটা ২০২৫

**অসম বাৰ্তা, আমগুৰি, ৯ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ অন্যতম আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান বিষ্ণু-জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীয়ে প্ৰতিষ্ঠা দিৱসত প্ৰতি বছৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত অৰিহণা যোগোৱা একোজনকৈ ব্যক্তিক "নৱোন্মেষ বঁটা" প্ৰদান কৰি আহিছে। এইবাৰৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত প্ৰদান কৰিবলগীয়া "নৱোন্মেষ বঁটা ২০২৫"ৰ বাবে নিৰ্বাচিত হৈছে সুলেখিকা, সাংস্কৃতিক কৰ্মী তথা চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা নৱনীতা গগৈ। উল্লেখযোগ্য যে ভিন্ন চিন্তা শীৰ্ষক গ্ৰন্থৰ লেখিকা গগৈয়ে ইতিমধ্যে শতাধিক গৱেষণা ধৰ্মী প্ৰবন্ধ লিখি প্ৰাবন্ধিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। কাব্য ক্ষেত্ৰ খনৰ এখন চিনাকি মুখ গগৈয়ে ইতিমধ্যে কুৰিৰো অধিক গ্ৰন্থ সম্পাদনা কৰিছে। সাহিত্য আৰু সাংস্কৃতিক সংগঠক নৱনীতা গগৈৰ এই প্ৰাপ্তিত চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় আমগুৰিৰ বহু অনুষ্ঠান প্ৰতিষ্ঠানে শুভেচ্ছা জ্ঞাপন কৰিছে। ১৪ ডিচেম্বৰৰ প্ৰতিষ্ঠা দিৱসৰ গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত গগৈক এই বঁটা প্ৰদান কৰিব বিষ্ণু জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীয়ে।

## ধুবুৰীৰ আগৰসেন ভৱনত উত্তৰ-পূব প্ৰাদেশিক মাৰোৱাৰী সন্মিলনৰ বৈঠক

**অসম বাৰ্তা, ধুবুৰী, ৯ ডিচেম্বৰ ঃ** ধুবুৰী সমাজৰ কেইবাশ সদস্য উপস্থিত থাকে। ধুবুৰী মাৰোৱাৰী সন্মিলনৰ নতুন কাৰ্যনিৰ্বাহক সমিতিত ১০৮জন সদস্যৰে গঠিত। বিশিষ্ট সমাজকৰ্মী অনুপ চন্দ ছেঠিয়াক সভাপতি, বিশিষ্ট যুৱ ব্যৱসায়ী দীনেশ ধনৱটক সাধাৰণ সম্পাদক নিযুক্তি, আৰু সমাজ কাম-কাজ চলাবলৈ ১০৮ জনীয়া এখন সমিতি গঠন কৰা হয়। বৈঠকৰ সময়ত উত্তৰ-পূৱ মাৰোৱাৰী সন্মিলনৰ প্ৰাদেশিক সভাপতি কৈলাস কাবৰাই অসমীয়া জনগোষ্ঠীৰ সৈতে কাম কৰি অসমৰ উন্নয়নত অৰিহণা যোগোৱাৰ কথা উল্লেখ কৰে, সেয়া বানপানীয়েই হওক বা ভূমিকম্পই হওক। তেওঁ লগতে কয় যে পশ্চিমীয়া সংস্কৃতিৰ ফলত সমাজত সামাজিক দুষ্টতাৰ উত্থান ঘটিছে। বিয়াত বুফে খোৱা আৰু শ্ৰাদ্ধ অনুষ্ঠানৰ সময়ত চাহ আৰু জলপান খোৱাৰ প্ৰথাৰ উন্নতিৰ বাবে সন্মিলনখনে কাম কৰি আছে। শিৱসাগৰ কাণ্ডক তীব্ৰ গৰিহণা দি তেওঁ সম্প্ৰদায়ৰ অন্তৰ্ভুক্তিৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ কাম-কাজৰ বিষয়ে সোধাত কাবৰাই কয় যে অসমলৈ কাৰখানাৰ আগমনৰ লগে লগে ভৱিষ্যতে অসম জাপানত পৰিণত হ'ব। কেন্দ্ৰীয় চৰকাৰে অসমক আঠ লক্ষ্মীৰ ঘৰ বুলি ভাবে, আৰু সেয়েহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত অসমত বাণিজ্য আৰু বাণিজ্য ফুলি উঠিছে।

সুৰেন নাথক অধ্যক্ষ আৰু কুলিন বৰাক সচিব হিচাপে লৈ ২১ জনীয়া কাৰ্যনিৰ্বাহ সমিতিৰ গঠন

# মাছ'ৰ মৰিগাঁও জিলা সমিতিৰ অধিৱেশন সম্পূৰ্ণ

## 'গাৰ্হস্থ্য হিংসা, নাৰী অধিকাৰ আৰু আইনৰ সুৰক্ষা'ৰ শীৰ্ষক মনোজ্ঞ আলোচনা চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৮ ডিচেম্বৰ ঃ** মানৱ অধিকাৰ সংগ্ৰাম সমিতি (মাছ) ৰ মৰিগাঁও জিলা সমিতিৰ অধিৱেশন খনি আজি দিনজোৰা কাৰ্যসূচীয়ে মৰিগাঁও চহৰৰ পৰাগ নিকেতনত অনুষ্ঠিত হৈ যায়। মাছ'ৰ মৰিগাঁও জিলা সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চানু গগৈয়ে পুৰা পতাকা উত্তোলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পাছত শ্বহীদ তৰ্পণ কৰে মাছ'ৰ মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন অধ্যক্ষ ৰহীন্দ্ৰ নাৰায়ণ ডেকা আৰু মাছ'ৰ প্ৰচাৰ সচিব জিতুমনি নাথে। ইফালে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যপন অৰ্পন কৰে লেখিকা সংস্থাৰ মৰিগাঁও শাখাৰ সভানেত্ৰী শেৱালি শৰ্মা বৰকটকী আৰু বন্তি প্ৰজ্বলন কৰে নাট্যকৰ্মী কুলিন বৰাই। ইয়াৰ পিছতেই মাছ'ৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হয় "গাৰ্হস্থ্য হিংসা, নাৰী অধিকাৰ আৰু আইনৰ সুৰক্ষা"ৰ শীৰ্ষক আলোচনা চক্ৰ। মাছ'ৰ মৰিগাঁও জিলা সমিতিৰ সচিব মাণিক নাথে আঁত ধৰা আলোচনা চক্ৰখন উদ্বোধন কৰে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে অংশ গ্ৰহণ কৰি মৰিগাঁও ন্যায়িক আদালতৰ অধিবক্তা নেকিব উদ্দিন আহমেদ কয় গাৰ্হস্থ্য হিংসাত নাৰী সমাজ পুৰুষতকৈ অধিক নিৰ্যাতনৰ বলী হৈ আহিছে। গাৰ্হস্থ্য হিংসাৰ ফলত নাৰী সমাজ শাৰীৰিক, মানসিক, যৌন আৰু আৰ্থিক নিৰ্যাতন সন্মুখীন হৈ আহিছে। ইয়াৰ বিৰুদ্ধে ঘৰুৱা হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫ (PWDVA) (Protection of Women from Domestic Violence Act, 2005) এখন গুৰুত্বপূৰ্ণ আইন প্ৰণয়নৰ জৰিয়তে মহিলাক আইনী, চিকিৎসাগত আৰু আৰ্থিক সুৰক্ষা প্ৰদানত সহযোগিতা আগবঢ়োৱা বিষয়ে উল্লেখ কৰি নাৰী সকলে নিজৰ অধিকাৰ নিজেই আজুৰি আনিব লাগিব বুলি মন্তব্য কৰে। নাৰীবাদী সমাজ সেৱিকা অৰ্চনা শৰ্মাই আলোচক হিচাপে অংশ গ্ৰহণ কৰি নাৰী সকলে গাৰ্হস্থ্য হিংসাৰ কেনেদৰে সন্মুখীন হৈ আহিছে আৰু নাৰীবাদী সামাজিক সংগঠন সমূহে কেনেদৰে সুৰক্ষা প্ৰদানত আগভাগ লৈ আহিছে তাৰ ওপৰত এক বিস্তৃত ব্যাখ্যা আগবঢ়াই। সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়াই নাৰী সমাজে সন্মুখীন হৈ অহা নিৰ্যাতনৰ ওপৰত এক ব্যাখ্য আগবঢ়াই। আলোচনা চক্ৰৰ পিছতেই অনুষ্ঠিত হয় মাছ'ৰ মৰিগাঁও জিলা সমিতি পুনৰ গঠনৰ সাংগঠনিক সভা। মাছ'ৰ সাংগঠনিক সভাই আগন্তুক কাৰ্যকালৰ বাবে সুৰেন নাথক অধ্যক্ষ, নাৰায়ণ ৰজা, ৰুনু ডেকা, কল্পতৰু চৌধুৰী, দেৱেন দাসক উপাধ্যক্ষ, কুলিন বৰাক সচিব, মহেশ দাস আৰু সুশিল নাথক সহকাৰী সচিব হিচাপে লৈ ২১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। তদুপৰি সভাই বুবুমণি গোস্বামী, জিতুমনি নাথ আৰু মাণিক নাথক কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিচাপে মনোনীত কৰে।




ডাঃ গিৰীশ সন্দিকৈয়ে লাভ কৰিছে সাহিত্যিক বঁটা

# ডুমডুমাৰ যতীন মৰাণলৈ অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৮ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমা নিৱাসী, বিশিষ্ট লেখক যতীন মৰাণে লাভ কৰিছে ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন। তেওঁৰ স'তে অসমৰ মুঠ দহগৰাকী সাহিত্যিকে লাভ কৰিছে সাহিত্যিক পেঞ্চন। একেদৰে অসমৰ ১৮ গৰাকী লেখকে লাভ কৰিছে সাহিত্যিক বঁটা। বঁটা প্ৰাপকসকলৰ ভিতৰত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা তিনিচুকীয়া নিৱাসী ডাঃ গিৰীশ সন্দিকৈ অন্যতম। কাইলৈ (৭ ডিচেম্বৰ) গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সৌজন্যত অনুষ্ঠিত হ'বলগীয়া বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ জন্ম দিৱসত ২৮ গৰাকী সাহিত্যিকক ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু সাহিত্যিক বঁটা প্ৰদান কৰিব। স্বাভাৱিকতে এই খবৰে তিনিচুকীয়া জিলা বিদ্বৎ সমাজৰ মাজত আনন্দৰ লহৰ তুলিছে। এই প্ৰাপ্তিত সন্তুষ্টি প্ৰকাশ কৰি মৰাণ সাহিত্য সভাকে ধৰি জিলাখনৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে দুয়োগৰাকী বঁটাপ্ৰাপকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে, যতীন মৰাণ হৈছে জনগোষ্ঠীটোৰ তৃতীয়জন সাহিত্যিক পেঞ্চনাৰ। ইয়াৰ পূৰ্বে এই সন্মান লাভ কৰিছে ক্ৰমে বিশিষ্ট বুৰঞ্জীবিদ শ্ৰীকুমাৰ দহোটীয়া (২০০১) আৰু বিশিষ্ট লেখিকা ৰূপেশ্বৰী গোহাঁই ডাঙৰীয়াই। ডুমডুমাৰ সমীপৰ ৰূপাই তপোবন নিৱাসী যতীন মৰাণৰ জন্ম ডুমডুমাৰ নিলগৰ তালাপৰ ধূলিজান গাঁৱত। অসমীয়া সাহিত্যত স্নাতকোত্তৰ যতীন মৰাণে ছাত্ৰাৱস্থাৰ পৰাই সাহিত্য চৰ্চা কৰি আহিছে। 'দৈনিক জনমভূমি'ত শিশু সাহিত্য ৰচনাৰে লেখা-মেলা কৰা যতীন মৰাণে বৰ্তমানেও এই চৰ্চা অব্যাহত ৰাখিছে। ১৯৯১-৯২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক যতীন মৰাণে দৈনিক জনমভূমি, অগ্ৰদূত, দৈনিক অগ্ৰদূত, দৈনিক অসম, অসমীয়া খবৰ, জনসাধাৰণ, অসম বাণী, সাদিন, সাপ্তাহিক জনমভূমি আদি কাকতত লেখা-মেলা কৰাৰ লগতে সাতসৰী, প্ৰান্তিক, বাৰ্তা পখিলী, স্বৰ্ণলিপি, মুকুতা আদি আলোচনীটো তেখেতৰ প্ৰবন্ধ, গল্প, কবিতা আদি প্ৰকাশ পাইছে। তেখেতৰ বহুকেইটা প্ৰবন্ধ সংকলনত যথেষ্ট তথ্যসমৃদ্ধ প্ৰবন্ধই স্থান পাইছে। তেখেতৰ ৰচনাই মৰাণ জনগোষ্ঠীৰ ইতিহাস, সমাজ আৰু সংস্কৃতি সম্পৰ্কে নতুন চিন্তাৰ পথ মুকলি কৰিছে। তেখেতৰ মৰাণ জনগোষ্ঠীৰ গীতি সাহিত্য - 'খেৰি' (২০২১) আৰু 'ইতিহাস-সমাজ-সংস্কৃতিৰ পোহৰত মৰাণ জনগোষ্ঠী' - শীৰ্ষক গ্ৰন্থ দুখন তেওঁৰ প্ৰকাশিত গ্ৰন্থৰাজিৰ অন্যতম সৃষ্টি। তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ যুৱক-যুৱতীৰ অনুষ্ঠানৰ সৈতে জড়িত হোৱাৰ লগতে বৰ্তমানেও জড়িত হৈ আছে। তেওঁৰ অনেক কথিকা, আলেখ্য আৰু আলোচনা আদি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ জৰিয়তে প্ৰচাৰ হৈছে। অসম সাহিত্য সভাৰ আজীৱন সদস্য যতীন মৰাণে ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন লাভ কৰা খবৰত ডুমডুমা-ৰূপাইৰ সাহিত্যিক মহলেও আনন্দ প্ৰকাশ কৰিছে।

# বহুমুখী প্ৰতিভাৰ অধিকাৰী উপেন্দ্ৰ নাথ পাঠকৰ মৃত্যুত অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক প্ৰকাশ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৮ ডিচেম্বৰ ঃ** আধ্যাত্মিক চিন্তা-চেতনাৰে পৰিপুষ্ট, নাগাৰা নামৰ প্ৰসিদ্ধ পাঠক, অনাতাঁৰ শিল্পী উপেন্দ্ৰ নাথ পাঠকৰ কালি ৯৬ বছৰ বয়সত দেহাৱসান ঘটে। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰৌমাৰী দমদমা গাঁৱৰ নিবাসী উপেন্দ্ৰ নাথ পাঠকে কালি পুৱতিনিশা আকস্মিকভাৱে মৃত্যুক সাবটি লয়। জানিব পৰা অনুসৰি মৃত্যুৰ আগদিনা দিনৰ ভাগত সুস্থ, সবল শৰীৰৰে চলন-ফুৰণ কৰি ইটো-সিটো কামত ব্যস্ত হৈ থকা উপেন্দ্ৰ নাথ পাঠকে সন্ধিয়াৰ ভাগত শ্বাস-প্ৰশ্বাসজনিত সমস্যাত ভোগাত পৰিয়ালৰ লোকে স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰায়। মুকালমুৱা অসামৰিক চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা সম্পন্ন কৰাৰ পাছত স্বাস্থ্যৰ অধিক অৱনতি ঘটাত চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালয়লৈ প্ৰেৰণ কৰে। উপেন্দ্ৰ নাথ পাঠকৰ উন্নত চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে ততাতৈয়াকৈ জিএমচিএইচলৈ লৈ যায় যদিও চিকিৎসাধীন অৱস্থাতেই পুৱতিনিশা মৃত্যুক আকোঁৱালি লয়। সুদীৰ্ঘ ৪৪ বছৰ নাগাৰা নামৰ পাঠক হিচাপে জীৱন সমৰ্পিত কৰা উপেন্দ্ৰ নাথ পাঠকে ২০ বছৰৰো অধিক সময় অনাতাঁৰ কেন্দ্ৰত নাম পৰিৱেশন কৰিছিল। সমান্তৰালভাৱে আধ্যাত্মিক চিন্তাৰে সমৃদ্ধ উপেন্দ্ৰ নাথ পাঠকে গাঁৱৰ ধৰ্মীয় অনুষ্ঠানত ভাগৱত পাঠ কৰিছিল। তদুপৰি বিভিন্ন অনুষ্ঠানত ভোৰতাল বজাই বহুমুখী প্ৰতিভাৰ পৰিচয় দিছিল। এইগৰাকী প্ৰসিদ্ধ শিল্পীয়ে ভাগ্যদেৱী থিয়েটাৰকে ধৰি বিভিন্ন দল-সংগঠনৰ পৰা প্ৰশংসা পত্ৰ লাভ কৰিছিল। শিল্পীগৰাকীৰ মৃত্যুত সমগ্ৰ, বৰক্ষেত্ৰী অঞ্চলতে শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেখেতে পত্নী, পুত্ৰ-বোৱাৰী, নাতি-নাতিনীসহ যোল্লজনীয়া পৰিয়ালক ইহঁ-সংসাৰত এৰি থৈ যায়। শিল্পীগৰাকীৰ মৃত্যুত বৰক্ষেত্ৰী কবি সন্মিলনৰ সভাপতি দ্বিজেন চন্দ্ৰ ডেকা, সম্পাদক পিংকু মণি ৰায় চৌধুৰী, সহ সম্পাদক ধনজিত বৈশ্য, সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, পূব বৰপেটা সাংবাদিক সন্থাৰ সভাপতি তফিকুৰ ৰহমান, বিৰিণা গোষ্ঠী-অসমৰ সভাপতি-সম্পাদক ক্ৰমে জিয়াউৰ ৰহমান আৰু বনজিৎ বৈশ্য, সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপদেষ্টা কামৰুজ জামান, ৰসৰাজ পুথিভঁৰালৰ পৰিচালক জেহেৰুল ইছলাম, চেঙা ঐক্য সন্মিলনৰ সম্পাদক চিন্ময় ডেকাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। গাঁৱৰ ৰাজহুৱা শ্মশানত আত্মীয় স্বজন, শুভাকাংক্ষী আৰু গাঁৱৰ ৰাইজৰ উপস্থিতিত উপেন্দ্ৰ নাথ পাঠকৰ শেষকৃত সম্পন্ন কৰা হয়।

# আৰম্ভ হ'ল ওদালগুৰি প্ৰীমিয়াৰ লীগৰ তৃতীয় সংস্কৰণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** আজিৰ পৰা আৰম্ভ হ'ল বি .এছ.এম ইণ্টাৰনেশ্বনেল ওদালগুৰি প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ তৃতীয় সংস্কৰণ। ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ১৫ দিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাখন আজি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়োই আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। ইয়াৰ পূৰ্বে ওদালগুৰি জিলা ক্ৰিকেট সন্থাৰ সম্পাদক বিপুল দৈমাৰীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰাৰ লগতে বিটিচিৰ পাৰিষদ অজয় কুমাৰ হাজৰিকাই প্ৰতিযোগিতাৰ পেভেলিয়ন মুকলি কৰে। বিশিষ্ট ব্যৱসায়ী দিলীপ পৌড়েলে প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী মুকলি কৰে। প্ৰতিযোগিতাখন উদ্বোধন কৰি মন্ত্ৰী চৰণ বড়োই ওদালগুৰি জিলাৰ ক্ৰীড়াক্ষেত্ৰৰ উন্নয়নৰ বাবে চৰকাৰ বিভিন্ন পদক্ষেপ লোৱা বুলি উল্লেখ কৰে। ইয়াৰ পিছতে অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ঢেকীয়াজুলি টাউন ক্ৰিকেট ক্লাবে ওৰাঙৰ জেনিথ ক্লাবক ৮ ৰানত পৰাস্ত কৰে। খেল খনত প্ৰথমে বেট ঢেকীয়াজুলি টাউন ক্ৰিকেট ক্লাবে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেট হেৰুৱাই ২১০ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে জেনিট ক্লাবে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই ২০২ ৰান কৰিব সক্ষম হয়। আজিৰ উদ্বোধনী অনুষ্ঠানত বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত উৎসৰ্গিত প্ৰতিযোগিতা খনত অসমৰ ভিন্ন প্ৰান্তৰ ১৬টা দলে অংশ গ্ৰহণ কৰিব।

স্বাস্থ্য পৰীক্ষাৰ লগতে ঔষধ বিতৰণ

# নাজিৰাত বিনামূলীয়া চিকিৎসা শিৱিৰ



**অসম বাৰ্তা, গেলেকী, ৮ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোট আৰু বৰদৈচিলা কলাকেন্দ্ৰৰ উদ্যোগত বুদবাৰী সত্ৰত বিনামূলীয়া চিকিৎসা শিৱিৰ অনুষ্ঠিত কৰা হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ সুমিত্ৰ কোঁৱৰে আঁতধৰা, বিশিষ্ট সমাজকৰ্মী ড° অজয়লাল বৰুৱাই শুভাৰম্ভ কৰা উক্ত চিকিৎসা শিবিৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভাস্কৰ জ্যোতি মহন্ত, নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰুহিত বৰুৱা, নাজিৰা গাঁও পঞ্চায়তৰ সভাপতি ৰূপামণি মহন্ত, বুদবাৰী সত্ৰ উন্নয়ন সমিতিৰ সম্পাদক পূৰ্ণানন্দ কলিতা, সংবাদকৰ্মী নিপন বৰগোঁহাই, বৰদৈচিলা কলাকেন্দ্ৰৰ তত্ত্বাবধায়ক মনোজ দত্ত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা আঞ্চলিক সমিতিৰ সভাপতি যাদৱজ্যোতি বড়া উপস্থিত থাকে। চিকিৎসক ডাঃ জাগৃতজ্যোতি বৰা, চকু বিভাগৰ পাৰ্শা বৰদলৈ, চিপিএম(কেম্প)গোষ্ঠী সমন্বয় পৰিচালক ঋতিজ গগৈ, জি, এন, এম কাবেৰী বৰা, লেবৰেটৰী টেকনিচিয়ান প্ৰিয়াক্ষী দত্ত, ফাৰ্মিচিষ্ট ৰিপ-াবিকা বৰদলৈৰ সহিতে চিকিৎসাৰ বিভাগৰ দলটিয়ে উপস্থিত ৰাইজক স্বাস্থ্য সজাগতাৰ ওপৰত দিহা পৰামৰ্শ দিয়াৰ লগতে স্বাস্থ্য পৰীক্ষা কৰে আৰু বিনামূলীয়াকৈ ঔষধৰ যোগান ধৰে। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰটি সুন্দৰকৈ সম্পন্ন কৰাৰ বাবে চিকিৎসা বিভাগৰ দলটিক ধন্যবাদ জ্ঞাপন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোট আৰু বৰদৈচিলা কলাকেন্দ্ৰৰ বিষয়ববীয়া সকলে।

তিনিজনক জেল হাজোতলৈ প্ৰেৰণ

# হাজোৰ কালী মন্দিৰৰ পৰা চুৰি হোৱা প্ৰতিমা দোকানত উদ্ধাৰ

**অসম বাৰ্তা, হাজো, ৮ ডিচেম্বৰ ঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত বামুণটোলাৰ সমীপৰ কালী মন্দিৰৰ পৰা কালীৰ পিতলৰ মূৰ্তি চুৰি হোৱা ঘটনাই অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে কালি হাজো বামুণটোলাত অৱস্থিত মা কালীৰ মন্দিৰত পুৰোহিতে অইন দিনা খনৰ দৰে পূজা অৰ্চনা কৰাৰ বাবে মন্দিৰলৈ যোৱাত মন্দিৰৰ দুৱাৰ খোল খোৱা অৱস্থাত আৰু থাপনাত মা কালীৰ মূৰ্তি নেদেখি পুৰোহিতগৰাকী হতভম্ব হৈ পৰে। লগে লগে এই ঘটনাৰ বিষয়ে স্থানীয় লোকক অৱগত কৰাত ঘটনাস্থলীত ভিৰ কৰে স্থানীয় ৰাইজৰ। পৰৱৰ্তী সময়ত মন্দিৰৰ পুৰোহিত গৰাকীয়ে হাজো আৰক্ষী থানাত ঘটনাৰ সবিশেষ জনায় এজাহাৰ দাখিল কৰাত হাজো আৰক্ষীৰ পৰিদৰ্শক ৰূপম হাজৰিকাই ততালিকে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰি তিনি ঘণ্টাৰ ভিতৰত এক গোপন পুত্ৰৰ সহায়ত হাজোৰ মুছলিম পট্টীত অৱস্থিত চানা কুটিৰ শিল্প নামৰ এখন বাচনৰ দোকানৰ পৰা মা কালীৰ মৰ্তিটো উদ্ধাৰ কৰাৰ লগতে দোকানৰ স্বত্বাধিকাৰী ইজাজ আলীক আৰক্ষীয়ে আটক কৰে। আনহাতে ধৃত ইজাজৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই মা কালীৰ মূৰ্তি চোৰ কৰা দুই চোৰ ক্ৰমে নেচিব আলী (দণ্ডী) আৰু দিলোৱাৰ আলীক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। ধৃত তিনিওকে আজি জেল হাজোতলৈ প্ৰেৰণ কৰে আৰক্ষীয়ে।

# বিকাশ জাতীয় বিদ্যালয় নয়াবস্তিৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ সামৰণি

**অসম বাৰ্তা, বাগানপাৰা, ৮ ডিচেম্বৰ ঃ** বাক্সা জিলাৰ নবস্তি অঞ্চলৰ অন্যতম ব্যক্তিগত শিক্ষানুষ্ঠান বিকাশ জাতীয় বিদ্যালয় নয়াবস্তিৰ বাৰ্ষিক শিশু সভাৰ লগতে ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ ৬ ডিচেম্বৰত সামৰণি পৰে। যোৱা ৪ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ প্ৰথম দিনা বিদ্যালয়ৰ অধ্যক্ষ খগেন ভূঞাই বিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল মালাকৰে ৰূপালী জয়ন্তী উৎসৱৰ পতাকা উত্তোলন কৰে। ইয়াৰ পিছত সচিব চন্দ্ৰ কলিতা আৰু শিশুসভাৰ সভাপতি কমলেশ্বৰ ভূঞাই শ্বহীদ তৰ্পণ কাৰ্যসূচীত মাল্যাৰ্পণ কৰে। ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সম্পাদক মৃগেন কলিতাই হিয়াৰ আমঠু হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰাক্তন অধ্যক্ষ প্ৰয়াত কুমুদ কলিতা সোঁৱৰণী ৰূপালী জয়ন্তীৰ মুখ্য দ্বাৰ উন্মোচন কৰে ১ নং মধ্য বাক্সা বহুমুখী সমবায় সমিতিৰ সম্পাদক চতন কুমাৰ ৰামছিয়াৰীয়ে। ৰূপালী জয়ন্তী উৎসৱ উপলক্ষ্যে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে নয়াবস্তি হাইস্কুলৰ প্ৰধান শিক্ষক গোলাপ শৰ্মাই। ইয়াৰ পিছত সংগীত আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনা পুৱাৰ ভাগত বিকাশ জাতীয় বিদ্যালয় নয়াবস্তিৰ প্ৰাক্তন অধ্যক্ষ ভৱাণী শংকৰ পৌড়েলে বন্তি প্ৰজ্বলন কৰাৰ পিছত জুবিন গাৰ্গৰ সোঁৱৰণত অৱসৰপ্ৰাপ্ত শিক্ষক নগেন দাস, মধ্যবাস্কা মৌজাৰ মৌজাদাৰ আনন্দ চৈনাৰী, উপদেষ্টা নৰেশ্বৰ হালৈ, অভিভাৱক ক্ৰমে মাণিক মেধি আৰু দিলীপ পণ্ডিতে নাহৰৰ পুলি ৰোপণ কৰে। আবেলি অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সন্মিলন। এই সন্মিলন খনি প্ৰয়াত খনিল ব্ৰহ্মৰ সহধৰ্মিনী তথা বিশিষ্ট সমাজসেৱিকা নিজৰা ব্ৰহ্ম ই। এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সন্মিলনত প্ৰাক্তন ছাত্ৰ -ছাত্ৰী সকলে গীত আৰু নৃত্য পৰিৱেশন কৰে। সামৰণিৰ দিনা পুৱা প্ৰাক্তন অভিভাৱিকা সৰস্বতী দৰ্জীয়ে বন্তি প্ৰজ্বলন কৰাৰ পিছত বিকাশ জাতীয় বিদ্যালয় নয়াবস্তিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি গোপাল উপাধ্যায়, প্ৰাক্তন অভিভাৱক বাবুল ভূঞা, পাগলাদিয়াপাৰ এম ই স্কুলৰ প্ৰধান নাৰায়ণ ওস্তী, লোকপ্ৰিয় এম ই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী মামনি দাসে গছপুলি ৰোপণ কৰে। দিনৰ ১২ বজাত অনুষ্ঠিত হয় মুকলি আৰু বঁটা বিতৰণী সভা। ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল মালাকৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি আৰু বঁটা বিতৰণী সভা উদ্বোধন কৰে জাতীয় বিদ্যালয় শিক্ষা পৰিষদ, নলবাৰীৰ উপ-সঞ্চালক অতুল কলিতাই। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জাতীয় বিদ্যালয় শিক্ষা পৰিষদ, নলবাৰীৰ সঞ্চালক ড° প্ৰবোধ শৰ্মাই বক্তব্য প্ৰদান কৰে। আন এগৰাকী অতিথি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কংকনজ্যোতি শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি সু-বক্তা, বিশিষ্ট সাংবাদিক, অধিবক্তা দীপক শৰ্মাই অতি সু-মধুৰ বক্তব্য প্ৰদান কৰি ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হয়। এই সভাতেই বিগত ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ এঘাৰ গৰাকী কৃতিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত বিগত ২০২৪/২৫ বৰ্ষত প্ৰমোচনী পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান পোৱা ছাত্ৰ-ছাত্ৰী সকলক পুৰস্কৃত কৰা হয়। সন্ধিয়া অনুষ্ঠিত হয় প্ৰয়াত ভদ্ৰেশ্বৰ কলিতা সোঁৱৰণী সাংস্কৃতিক সমাৰোহ। এই সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে যুৱ ব্যৱসায়ী, গুৱাহাটীৰ গৌতম হালৈৰে। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী নিশাৰাণী, তপন ত্ৰিদীপ আৰু শ্ৰীমন্ত শৰণীয়াই গীত পৰিৱেশন কৰি দৰ্শকক আমোদ দিয়ে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত সকলো কাৰ্যসূচীৰ আঁত ধৰে ৰূপালী জয়ন্তী উৎসৱ উদযাপন সমিতিৰ সম্পাদক মৃগেন কলিতাই।

# "অসম বাৰ্তা"ৰ প্ৰাক্তন সম্পাদক মদন মোহন পাগবন্ধালৈ সুকৃতি বঁটা



**অসম বাৰ্তা, আমগুৰি, ৮ ডিচেম্বৰ ঃ** চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধালৈ "খবৰ 24×7 অসম" সংবাদ গোষ্ঠীয়ে চলিত বৰ্ষৰ বাবে আগবঢ়াইছে "সুকৃতি বঁটা"। আজি যোৰহাট জিলাৰ টীয়কত অনুষ্ঠিত সংবাদ গোষ্ঠীটোৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বঁটাটি প্ৰদান কৰে। উল্লেখ্য যে ২০০৪ চনত আধুনালুপ্ত দৈনিক জনসাধাৰণ কাকতৰ জৰিয়তে সংবাদ ক্ষেত্ৰ খনত প্ৰৱেশ কৰি ২০১৮ চনৰ পৰা অসমীয়া খবৰৰ চেলেংহাটৰ স্থানীয় সাংবাদিক হিচাপে জড়িত হৈ আছে। উল্লেখ্য যে পাগবন্ধাই ২০২৩-২৪ বৰ্ষত সাদিনীয়া "অসম বাৰ্তা" কাকতৰ সম্পাদকৰ দায়িত্ব সফলতাৰে পালন কৰিছিল। সংবাদ ক্ষেত্ৰৰ লগতে সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰতো সমভাৱে সক্ৰিয় হৈ থকা মদন মোহন পাগবন্ধা হাঁহচৰা শাখা সাহিত্য সভাৰো সম্পাদকৰ দায়িত্ব বহন কৰি আছে। ইয়াৰোপৰি সাংস্কৃতিক ক্ষেত্ৰৰ এজন সুদক্ষ সংগঠক ৰূপেও তেখেতৰ সুনাম আছে। নিজৰ সৃষ্টিশীল কৰ্মৰাজীৰ বাবে পাগবন্ধাই ইতিপূৰ্বে বিভিন্ন ক্ষেত্ৰত কেইবাটাও বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তেখেতৰ প্ৰাপ্তিত বৃহত্তৰ চেলেংহাট তথা হাঁহচৰা অঞ্চলবাসীক উৎফুল্ল কৰিছে।

ভকতি বিলৰ ঐতিহ্য সুৰক্ষিত ৰাখি উজ্জীৱিত কৰণৰ কাম আগবাঢ়ক

# ৰাঙলীবাহৰত ৰাজহুৱা সভাৰ দাবী

**অসম বাৰ্তা, উজনী মাজুলী, ৮ ডিচেম্বৰ ঃ** ঐতিহ্যমণ্ডিত ভকতি বিলৰ পুৰণি ভৌগোলিক ঐতিহ্য সংৰক্ষণ কৰিবলৈ দাবী জনাই আজি উজনি মাজুলীৰ ৰাঙলীবাহৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। আজি দুপৰীয়া ভকতিদূৱাৰ উচ্চত্বৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নগেন বৰুৱাৰ সভাপতিত্বত ৰাঙলীবাহৰ প্ৰাথমিক বিদ্যালয়ত উক্ত গাঁৱৰ বিশিষ্ট ব্যক্তি সকল আৰু টুনী উজ্জীৱিত দাবী সমিতিৰ বিষয়ববীয়া সকলৰ মাজত ৰাঙলীবাহৰ ৰাইজৰ আমন্ত্ৰণ ক্ৰমে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত উদেশ্য ব্যাখ্যা কৰে সম্পাদক দীপক দাসে। সম্পাদকে শুকান সুঁতি আৰু ঐতিহাসিক ভকতি বিলৰ উজ্জীৱিত কৰণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ লগতে আগন্তুক দিনত ভকতি বিল বা ১৮নং শুকান সুঁতি ৰাঙলীবাহৰ ৰাইজৰ ভূমিকা সম্পৰ্কত সভাখন অনুষ্ঠিত কৰা বুলি অবগত কৰে। ইয়াৰ পিছতেই ৰাঙলী বাহৰ গাঁৱৰ ৰাইজৰ তৰফৰ পৰা মাজুলীৰ টুনী উজ্জীৱিত কৰণ দাবী সমিতিৰ সভাপতি ডঃ ৰাজেন চন্দ্ৰ বৰা, উপ-সভাপতি অনন্ত ঙাটে প্ৰমুখ্যে সমিতিৰ সকলো সদস্যক আনুষ্ঠানিকভাৱে আদৰণী জনায়। সভাত বক্তব্য আগবঢ়ায় অনন্ত ঙাটে কয় যে, পৰ্যায় ক্ৰমে মাজুলীৰ বিল জলাশয় বিলাক উজ্জীৱিত কৰি থলুৱা মাছৰ উৎপাদন বৃদ্ধি কৰাত যাতে কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকসকলে মনোনিৱেশ কৰে। আন এগৰাকী কাৰ্যকৰী সদস্য বিনোদ দাসে কৈবৰ্ত সম্প্ৰদায়ৰ জন্মগত বৃত্তি মাছ ধৰা, ব্যৱসায় কৰা আৰু জলাশয়ৰ ওপৰত থকা অধিকাৰৰ কথা উল্লেখ কৰে। কৈবৰ্ত সম্প্ৰদায়ৰ লোক সকলে সততা আৰু নিষ্ঠাৰে কাম কৰে তাৰ প্ৰতি আহ্বান জনায়। ৰাঙলী বাহৰ গাঁৱৰ পৰা ভকতি বিলৰ উজ্জীৱিত কৰণে গাঁৱৰ ৰাইজক কিদৰে উপকৃত কৰিব, বিলখনৰ সোণোৱালী ঐতিহ্য সুৰক্ষিত থাকিবনে নাই, অনাগত দিনত ভকতি বিলৰ ওপৰত ৰাইজৰ অধিকাৰ সুৰক্ষিত থাকিব নে নাই আৰু দীৰ্ঘদিন ধৰি যিখন মীন মহলে অনুৎপাদনশীল বিল খনৰ বাবদ চৰকাৰক বহুবছৰ দিবলৈ থকা ৰাজহ ৰেহাই দিব নে নাই তাৰ ওপৰত মতামত প্ৰকাশ কৰে। এই ক্ষেত্ৰত বিশেষ ভাৱে বক্তব্য আগবঢ়ায় কান্ত দাস, শিৱ কান্ত দাস, বিকাশ দাস, গহীন দাস, দুৰ্লভ দাস, আৰু যোগেন হাজৰিকা আদিয়ে। সকলোৱে তেখেত সকলৰ মনত উদয় হোৱা প্ৰশ্ন সমূহৰ সঠিক উত্তৰ আশা কৰে টুনী উজ্জীৱিত দাবী সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰাৰ পৰা, যি গৰাকীৰ বলীষ্ঠ নেতৃত্বত দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ ফলত ভকতি বিলে নতুন জীৱন পোৱাৰ দিশত গতি কৰিছে। সভাপতিয়ে তেখেতৰ বক্তব্যত ৰাইজে বিচৰা প্ৰশ্ন সমূহৰ যথোচিত উত্তৰ দিয়াৰ লগতে জটিল বিষয় সমূহ বিভাগীয় কৰ্তৃপক্ষৰ লগত সমিতিয়ে আগন্তুক সময়ত আলোচনা কৰাৰ আশ্বাস প্ৰদান কৰে। এইক্ষেত্ৰত স্থানীয় ৰাইজে যাতে সমিতিৰ লগত সম্পূৰ্ণ সহযোগিতা কৰি প্ৰকল্পৰ কাম আগবঢ়াই। তাৰ পাছত সম্পাদক বিষ্ণু দাসৰ এফাঁকি গীতৰ কলিৰে অনাগত দিনত এখন সুন্দৰ মাজুলী গঢ়ি তোলাৰ আহ্বান জনায়। টুনী উজ্জীৱিত কৰণ দাবী সমিতিৰ সভাপতি ড০ ৰাজেন বৰাই গাঁৱৰ বয়োজ্যেষ্ঠ ৰাইজে তেখেতৰ ওপৰত প্ৰকাশ কৰা গভীৰ আস্থা আৰু আশীৰ্বাদৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতেই সভাপতি নগেন বৰুৱা দেৱে সাৰুৱা বক্তব্যৰে সভা ভঙ্গ ঘোষণা কৰে।

# সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ নগাঁও জিলা সমিতিৰ বৰ্ধিত কাৰ্য্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, বটদ্ৰৱা, ৮ ডিচেম্বৰ ঃ** সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এ আই ইউ ডি এফৰ নগাঁও জিলা সমিতিৰ এক বৰ্ধিত কাৰ্য্যনিৰ্বাহক সভা নগাঁও চহৰৰ চেকগেট টানপাৰা স্থিত জিলা কাৰ্যালয়ত আজি অনুষ্ঠিত হৈ যায়। এ আই ইউ ডি এফৰ নগাঁও জিলা সমিতিৰ সভাপতি মতিউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বৰ্ধিত কাৰ্য্যনিৰ্বাহক সভা খনত এ আই ইউ ডি এফৰ কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক চম্পক কলিতা আৰু উপ সভাপতি আমিনুল ইছলাম উপস্থিত থাকি বি এল এ নিযুক্তি আৰু প্ৰশিক্ষণ আৰু সাংগঠনিক দিশৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰাৰ লগতে জিলাখনৰ সমষ্টি কেইখনত কৰ্মী সভা অনুষ্ঠিত কৰাৰ সম্পৰ্কে আলোচনা কৰে। আজিৰ এই বৰ্ধিত কাৰ্য্যনিৰ্বাহক সভাখনতেই সদ্য কাৰামুক্ত বিধায়ক আমিনুল ইছলামক সম্বৰ্দ্ধনা জনোৱা হয়। আজিৰ এই কাৰ্যনিৰ্বাহক সভাখনত পূৰ্ণাঙ্গ জিলা কমিটী, জিলা যুৱ মৰ্চা, জিলা মহিলা মৰ্চা, জিলা ছাত্ৰ মৰ্চা আৰু জিলা আইটি ছেলৰ বিষয়-ববীয়া সকল উপস্থিত আছিল।

# দেৰগাঁৱত হৃদয়বিদাৰক ঘটনা; অগা-পিছাকৈ মৃত্যু একেটা পৰিয়ালৰ তিনিজনৰ

**অসম বাৰ্তা, দেৰগাঁও, ৮ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ বঙাল গাঁৱত সংঘটিত হৈছে এক হৃদয় বিদাৰক ঘটনা। যাৰ বাবে এতিয়া বঙাল গাঁৱৰ লগতে সমগ্ৰ দেৰগাঁৱতে কান্দোনৰ ৰোল উঠিছে। দেৰগাঁও বঙাল গাঁৱৰ এটি পৰিয়ালত অতি কমদিনৰ ভিতৰতে ঘটিছে তিনিটাকৈ মৃত্যুৰ ঘটনা। প্ৰথমেই ঘৰখনৰ এগৰাকী বোৱাৰীয়ে ঘৰৰ ভিতৰতেই চৰম সিদ্ধান্ত গ্ৰহণ কৰে। সেই ঘটনাৰ কিছু দিনৰ পাছতে আত্মহত্যা কৰা বোৱাৰীগৰাকীৰ স্বামীৰ এটা পুখুৰীত পৰি মৃত্যু মুখত পৰে। সেই বেদনা শাম কাটিবলৈ নৌপাওঁতেই যোৱা ১ ডিচেম্বৰ সোমবাৰে ঘৰখনৰ বৰপুত্ৰ অসীম বৰা নিজৰ ঘৰৰ সন্মুখতে এক ভয়াৱহ পথ দুৰ্ঘটনাত পতিত হয়। বঙালগাঁৱৰ দেৰগাঁও-গোলাঘাট সংযোগী পথটোৰ কাষতে থকা নিজৰ বাসগৃহৰ পৰা এখন মটৰচাইকেলেৰে ওলাই আহোঁতেই অচিনাক্ত বাহনৰ খুন্দাত অসীম বৰা নামৰ যুৱকজন গুৰুতৰভাৱে আহত হৈছিল। স্থানীয় লোকৰ সহযোগত পৰিয়ালৰ লোকে যোৰহাটৰ চিকিৎসালয়লৈ যুৱকজনক প্ৰেৰণ কৰিছিল যদিও অৱশেষত মঙলবাৰে নিশা শেষ নিশ্বাস ত্যাগ কৰে বিবাহিত যুৱকজনে। নিথৰুৱা হৈ পৰিল যুৱকজনৰ এটি পাঁচ বছৰীয়া সন্তান, পত্নী আৰু মাতৃ। উল্লেখযোগ্য যে দেৰগাঁও-গোলাঘাট সংযোগী পথটো পুনৰ নিৰ্মাণ কৰাৰ পাছত যথেষ্ট মসৃণ হৈ পৰিল পথটো। যাৰ বাবে পথটোৰে যাতায়াত কৰা অধিকসংখ্যক বাহনেই তীব্ৰ বেগত চলাচল কৰা দেখা যায়। ফলত পথটো পুনৰ নিৰ্মাণ হোৱাৰ মাত্ৰ দুমাহৰ ভিতৰতে সংঘটিত হৈছে কুৰিটাতকৈয়ো অধিক দুৰ্ঘটনা। কেইবাজন লোকৰ প্ৰাণহানি হোৱাৰ লগতে চিৰদিনৰ বাবে ঘূণীয়া হৈছে বহুকেইজন। শেহতীয়াকৈ বঙাল গাঁৱৰ অতি অমায়িক, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত সৰবৰহী অসীম বৰা নামৰ বিবাহিত যুৱকজনৰ মৃত্যুৰ বাতৰিয়ে গাঁওখনত সৃষ্টি কৰিছে শোকাকুল পৰিৱেশৰ। কিতাপ আৰু কাপোৰৰ ব্যৱসায় কৰি পৰিয়াল পোহপাল দিয়া যুৱকজনৰ নশ্বৰদেহ বাসগৃহ আহি পোৱাৰ পাছতে নিঠৰুৱা হৈ পৰা পৰিয়ালটোৰ কথা ভাবি এতিয়া গাঁওখনৰ ঘৰে-ঘৰে কান্দোনৰ ৰোল উঠিছে।

২০২৪-২৫ বৰ্ষৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

# ডবকা একাডেমীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন অনুষ্ঠান

**অসম বাৰ্তা, ডবকা, ৯ ডিচেম্বৰ ঃ** আজি "ডবকা একাডেমী"ৰ 'ছুপাৰ ৫০'ৰ বাকৰিত এক উজ্জ্বল পৰিৱেশৰ মাজত অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ সন্মিলন অনুষ্ঠান। লগতে ২০২৪-২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু দ্বাদশ শ্ৰেণীৰ পৰা সু-খ্যাতিৰে উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। দীঘলীয়া সময়ৰ অন্তত আজি বিদায়ী জীৱনৰ স্মৃতি সজীৱ কৰি তুলিবলৈ বিভিন্ন শিক্ষা বৰ্ষৰ শতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী এই সন্মিলন অনুষ্ঠানত উপস্থিত হয়। এক আবেগিক পৰিৱেশত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে কয় যে "ডবকা একাডেমী" আমাৰ জীৱনৰ এক অন্যতম ভিত্তি, ইমান বছৰ পিছত এই মঞ্চত পুনৰ একত্ৰিত হৈ বহু পুৰণি স্মৃতি আমি অনুভৱ কৰিব পাৰিছো। আজিৰ এই সভা খনত সভাপতিত্ব কৰে বিদ্যালয় খনৰ বিদ্যালয় খনৰ অধ্যক্ষ ইকৰাম উদ্দিনে নিজৰ ভষণত ছাত্ৰ-ছাত্ৰীক বহু তথ্য গধুৰ মূল্যবান মন্তব্য দিয়াৰ লগতে কয় যে আজিৰ এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনৰ উদ্দেশ্য হৈছে সকলো প্ৰাক্তন শিক্ষাৰ্থীক পুনৰ একে খনত মঞ্চত একত্ৰিত কৰা যাতে বিদ্যালয়, সমাজ আৰু শিক্ষাৰ মাজত এটা দৃঢ় বন্ধন গঢ়িবলৈ আৰু আগন্তুক প্ৰজন্মক আগবাঢ়িবলৈ প্ৰেৰণা যোগাবলৈ এই সভাৰ মূল উদ্দেশ্য আৰু লক্ষ্য। আজিৰ এই সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে হাজি আনফৰ আলী কলেজৰ ইংৰাজী বিভাগৰ অধ্যক্ষ ড° হাচিনুচ চুলতান, ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইকৰাম হুছেইন মিৰ, বিশিষ্ট সমাজ সেৱক হুছন আলী, আৰকান, উদ্দিন, ছইফ উদ্দিন, বিদ্যালয়খনৰ অধ্যক্ষ ইকৰাম উদ্দিনৰ লগতে বিদ্যালয় খনৰ শিক্ষক আতাবুৰ ৰহমান, চুলতান আহমেদ খান, বদৰুল হক, ছাইদুল আলম তাপাদাৰ, কমৰুল বেগ, হিফজুৰ ৰহমান, ৰিজুৱান আহমেদ, চাহিৰ আহমেদ, বাবলু শীল, হাবিজুল ইছলাম, জমিল হুছেইন, সুমন্ত চক্ৰৱৰ্তী, তপন দাস, আকতাৰ হুছেইন, শিক্ষয়িত্ৰী গিতুমনি বৰা, ৰিণা শৰ্মা, মাসুকা খানম, সুজাতা বৰা, প্ৰিয়া দে, সংগীতা দাস, পুনম শৰ্মা, নাছৰিন আকতাৰ বৰভূঞা আৰু লগতে উপস্থিত থাকে ডবকা একাডেমিৰ অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী সকল। ২০২৪-২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু দ্বাদশ শ্ৰেণীৰ পৰা সু-খ্যাতিৰে উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীক একোখন ফুলাম গামোচা, জাপি আৰু মান পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ সভাৰ আমন্ত্ৰিত বিশেষ অতিথি হাজি আনফৰ আলী কলেজৰ ইংৰাজী বিভাগৰ অধ্যক্ষ ড° হাচিনুচ চুলতান, ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইকৰাম হুছেইন মিৰ, বিশিষ্ট সমাজ সেৱক হুছন

# মাকুম সমষ্টিত ১,৭৯৬ গৰাকী হিতাধিকাৰীলৈ বিতৰণ কৰা হ'ল প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অনুমোদন পত্ৰ



**অসম বাৰ্তা, মাকুম, ৯ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত বকোৰ পৰা ভাৰ্চুৱেলী 'প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ'ৰ অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী শুভ মুকলি কৰে। তাৰ সমান্তৰাল ভাৱে মাকুম আঞ্চলিক পঞ্চায়তৰ লগতে মাকুম উন্নয়ন খণ্ডৰ উদ্যোগত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫খন গাঁও পঞ্চায়তৰ এই আঁচনিৰ অধীনৰ ১, ৭৯৬ গৰাকীকৈ হিতাধিকাৰীক অসম গৃহ নিৰ্মাণৰ অধ্যক্ষ পুলক গোঁহাইৰ উপস্থিতিত আনুষ্ঠানিকভাৱে অনুমোদন পত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত সকলোৱে জাতীয় সংগীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ৩, ২৫, ২৩৪টা পৰিয়ালে আজি লাভ কৰিছে 'প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ'ৰ অনুমোদন পত্ৰ। দৰিদ্ৰ মানুহৰ এটা পকী ঘৰ নিৰ্মাণ কৰাৰ যি সপোন স্বচ্ছ আৰু নিকা দুৰ্নীতিপূৰ্ণ ভাৱে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰূপায়ণ কৰা উক্ত আঁচনি খনে দুখীয়া শ্ৰেণীলোকৰ ওচৰলৈ লৈ যোৱাৰ বাবে প্ৰধান মন্ত্ৰী গৰাকীক সংবাদ মাধ্যমৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰে অসম গৃহ বিভাগৰ অধ্যক্ষ পুলক গোঁহাইয়ে। আজিৰ এই অনুমোদন পত্ৰ বিতৰণী অনুষ্ঠানত অধ্যক্ষ পুলক গোঁহাইৰ সহিতে মাকুম সম জিলা আয়ুক্ত পংকজ চমুৱা, তিনিচুকীয়া অতিৰিক্ত আয়ুক্ত দিপু ডেকা, মাকুম উন্নয়ন খণ্ডৰ খণ্ড বিষয়া শেৱালি পেগু, মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰুণ জ্যোতি মৰাণ, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ত্ৰিদিপ জ্যোতি মৰাণ, বিজেপি মাকুম মণ্ডলৰ সভাপতি উদয় বড়া, তিনিচুকীয়া জিলা পৰিষদৰ সম্পাদিকা চিত্ৰলেখা দুৱৰা সোণাৰ, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ, মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া প্ৰমুখ্যে কৰি অন্যান্য বিজেপি দলৰ বিষয়ববীয়া তথা কাৰ্যকৰ্তা সকল।

# 'আজিৰ কবিতা'ৰ নৱবৰ্ষ সংখ্যাৰ বাবে লেখা আহ্বান

**অসম বাৰ্তা, দেওমৰনৈ, ৯ ডিচেম্বৰ ঃ** সম্প্ৰতি ৰাজ্যৰ সাহিত্য ক্ষেত্ৰ খনত বহুল প্ৰচাৰিত, ইতিমধ্যে ডেৰকুৰিৰো অধিক বছৰ অতিক্ৰম কৰা কবিতা আৰু কবিতা বিষয়ক আলোচনী "আজিৰ কবিতা"খন ২০২৬ৰ জানুৱাৰীত প্ৰকাশিতব্য 'নৱবৰ্ষ বিশেষ' সংখ্যাৰ বাবে লেখা আহ্বান কৰিছে। মূলত কবিতা, কবিতা সম্পৰ্কীয় লেখা, কথা-কবিতা, অনুবাদ কবিতা, লিমাৰিক, গীত, শ্যায়েৰী, কাব্যানুষ্ঠানৰ বা-বাতৰি, গ্ৰন্থ পৰ্যালোচনা, গ্ৰন্থ চিনাকি, কবিৰ সৈতে অন্তৰংগ কথোপকথন আদি লেখাসমূহ এই মাহৰ ১৬ তাৰিখৰ ভিতৰত পঠাবলৈ আজিৰ কবিতা সম্পাদনা সমিতিয়ে আহ্বান জনাইছে। লেখাসমূহ যথা সম্ভৱ চুটি হ'ব লাগিব। ম'বাইল ফোনত টাইপ কৰি নাইবা ৰামধেনুৰ গীতাঞ্জলি ফ্ৰণ্টত ডিটিপি কৰি পিএমডি ফাইল যোগে হোৱাটছএপ নম্বৰ ৮১৩৫৮৭১৭২৭, ৯৩৬৫৬৪৬৫০২, ৯৩৬৫৬৮০৪৮১ আৰু ৯৭০৭৭৩০৪২৭ অথবা mezangkariprakashan@gmail.com ই মেইল যোগে লেখা সমূহ পঠিয়াবলৈ আজিৰ কবিতাৰ সম্পাদকে জনাইছে।

# ছৈখোৱা (ধলা)ৰ ঐতিহাসিক শ্ৰীশ্ৰী কেঁচাখাইটী শালৰ "বাবু পূজা" সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ পূব-প্ৰান্তৰ ছৈখোৱা(ধলা)ৰ ঐতিহাসিক শ্ৰীশ্ৰীকেঁচাখাইটী শালত আজি "বাবু পূজা" অনুষ্ঠিত হয়। প্ৰতি বছৰৰ দৰে এইবাৰো ডিচেম্বৰ মাহৰ দ্বিতীয় সপ্তাহৰ দেওবাৰে অনুষ্ঠিত হয় এই 'বাবু পূজা'। পূজাত লক্ষাধিক ভক্তৰ সমাগম ঘটে। ভক্তগণে এই গোসাঁনী আই শালত পূজা-অৰ্চনা কৰি ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক দৃশ্য উপভোগ কৰাৰ লগতে ভোজ-ভাত খায়। ভক্তসকলৰ মনৰ কামনাৰ সিদ্ধিৰ বাবে পৰম্পৰা অনুযায়ী বলি-বিধান দিয়া হয়। প্ৰাপ্ত তথ্য অনুসৰি, আজিৰ পূজাভাগত ভক্তসকলে ১০৬৫টা আমৰুলি হাঁহ, ৭৩টা পঠা ছাগলী দেৱীৰ নামত উৎসৰ্গা কৰি বলি দিয়াৰ বিপৰীতে বহুসংখ্যক পাৰ চৰাই দেৱীৰ নামত শালৰ মূল মন্দিৰৰ চৌহদত উৰুৱায়। আজিৰ পূজালৈ অসমৰ বিভিন্ন প্ৰান্তৰৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ পৰা হাজাৰ হাজাৰ ভক্তৰ উপৰিও চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰাও বহুসংখ্যক ভক্ত আহি পূজা-অৰ্চনা আগবঢ়ায়। পুৱতি নিশাৰ পৰা বন্তি প্ৰজ্বলন আৰম্ভ হোৱাৰ লগতে পুৱা ৮:৩০ বজাত ৰাজহুৱা আশীৰ্বাদৰ পাছতেই বলি আৰম্ভ হয়। পুৱাৰ ভাগতেই হাজাৰ হাজাৰ ভক্তগণৰ উপস্থিতিত একপ্ৰকাৰ উদুলি-মুদুলি হৈ পাৰে শালৰ বাকৰি। ভূপেন হাজৰিকা সেতুৰ কাষতে বহ্মপুত্ৰৰ পাৰত সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত এই শালৰ 'বাবু পূজা'ত প্ৰতি বছৰে লাখ লাখ ভক্তৰ সমাগম ঘটে। উল্লেখ্য যে, ঐতিহ্যমণ্ডিত শদিয়াৰ ঐতিহাসিক চাৰিশাল গোঁসানীৰ ভিতৰত অন্যতম এই কেঁচাখাইটী শালত বছৰত চাৰিবাৰ শালৰ দ্বাৰ ভক্ত সকলৰ বাবে মুকলি কৰা হ'য়। প্ৰতি বছৰৰ বহাগ, কাতি, আঘোণ আৰু মাঘ মাহত মুকলি কৰা হয় শালৰ মূল দ্বাৰ। ইয়াৰ ভিতৰত আঘোণ মাহত সম্পন্ন হোৱা 'বাবু পূজা'ত অত্যধিক ভক্তৰ আগমন হয়। স্মৰ্তব্য যে, আঘোণ মাহৰ দ্বিতীয় দেওবাৰে অনুষ্ঠিত কৰা এই 'বাবু পূজা' মূলত: চাহ বাগিছাৰ চাহাব, বাবুসকলৰ বাবে আৰম্ভ কৰা হৈছিল। যিহেতু চাহ বাগিছাৰ বাবুসকলে দেওবাৰৰ বাহিৰে অন্য বাৰত আজৰি নাপায়। সেই গতিকে বাবু-মহৰীসকলৰ সুবিধাৰ্থে বাবে আঘোণ মাহৰ দ্বিতীয় দেওবাৰত এই পূজা ভাগ আৰম্ভ কৰে। পূৰ্ব প্ৰচলিত এই পূজাত বৰ্তমান লাখ লাখ ভক্তৰ আগমন হয়। এটা দিনৰ বাবে মেলাসদৃশ পৰিৱেশ গঢ় লৈ উঠে কেঁচা খাইটী শাল প্ৰাংগণৰ লগতে সমগ্ৰ ছৈখোৱা(ধলা) অঞ্চল। জনবিশ্বাস অনুসৰি, শুদ্ধ মনেৰে সেৱা-অৰ্চনা কৰিলে ভক্তৰ মনোকামনা পূৰ্ণ হয় এই 'বাবু পূজা'ত। আন বৰ্ষসমূহৰ দৰে এইবাৰো এই পূজাত শদিয়া আৰক্ষী তথা শদিয়া সম-জিলা প্ৰশাসনৰ লগতে তিনিচুকীয়া জিলা প্ৰশাসনে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

## ১৬ ডিচেম্বৰৰ পৰা অনিৰ্দিষ্টকাল ৰে'ল অৱৰোধৰ ঘোষণা আক্ৰাছুৰ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৯ ডিচেম্বৰ ঃ** কোচ-ৰাজবংশী জাতিৰ জনজাতিকৰণ সহ বিভিন্ন দাবীৰ সমৰ্থনত আহি থকা ১৬ ডিচেম্বৰৰ পৰা অনিৰ্দিষ্টকালৰ বাবে ৰেলপথ অৱৰোধৰ ঘোষণা কৰিছে সদৌ কোচৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু), কমতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিল (KSDC) আৰু কোচ-ৰাজবংশী দল-সংগঠনে। সোমবাৰে গোসাঁইগাঁও প্ৰেছ ক্লাবত আয়োজন কৰা সংবাদমেলত সংগঠনসমূহে জনাই যে পৃথক কামতাপুৰ ৰাজ্য গঠন, কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ (ST) মান্যতা প্ৰদান, কোচ-ৰাজবংশী ভাষাক সাংবিধানিক স্বীকৃতি আৰু কে.এল.ও.-ৰ সৈতে শান্তিচুক্তি স্বাক্ষৰৰ দাবীক লৈ এই আন্দোলন ঘোষণা কৰা হৈছে। সংগঠনসমূহে স্পষ্ট কৰি কয় যে দাবীবোৰ পূৰণ নোহোৱালৈকে ৰেলপথ অৱৰোধ অনিৰ্দিষ্টকাললৈ জাৰি ৰখা হ'ব।

## গোলাঘাটত ৰিজাৰ্ভ বেংকৰ বিশেষ সজাগতা সভাৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৯ ডিচেম্বৰ ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সৌজন্যত আৰু গোলাঘাট জিলাৰ অগ্ৰণী বেংক বিষয়াৰ সহযোগত অহা ১২ ডিচেম্বৰত সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰে উপকৃত কৰা উদ্দেশ্যে এখনি সজাগতা সভা অনুষ্ঠিত হ'ব। গোলাঘাট নগৰৰ মাজমজিয়াৰ পেঞ্চনাৰ ভৱনত দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া উক্ত সজাগতা সভাত পুৰণি নিষ্ক্ৰিয় বেংক একাউণ্টত থকা দাবী নকৰা টকা (DEAF Claim) প্ৰাপ্তি সন্দৰ্ভত আলোচনা কৰা হ'ব। সভাত ৰিজাৰ্ভ বেংকৰ লগতে আন আন বেংকৰ বিষয়া সকল উপস্থিত থাকিব। জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে আয়োজন কৰা এই সভাত গ্ৰাহক ৰাইজৰ উপস্থিতি উদ্যোক্তা সকলে আন্তৰিকতাৰে কামনা কৰিছে।

সুৰা সেৱন কৰি যান-বাহন নচলাবলৈ আহ্বান

# নগাঁৱত পথ সুৰক্ষা সজাগতা সভা সম্পন্ন

### ঘন কুৱঁলি-পিকনিকৰ বতৰত যান-বাহন চালকৰ প্ৰতি বিশেষ আহ্বান

**অসম বাৰ্তা, নগাঁও, ৯ ডিচেম্বৰ ঃ** নগাঁও জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ উদ্যোগত আৰু ৰামধেনু ট্ৰেভেল এজেঞ্চিৰ সহযোগত নগাঁৱৰ বৰঘাট বাইপাছত আজি পুৱা এখনি "পথ সুৰক্ষা সজাগতা সভা" অনুষ্ঠিত হয়। আজিৰ এই পথ সুৰক্ষা সজাগতা সভাত সভাপতিত্ব কৰে জিলা পৰিবহণ বিষয়া সীমান্ত বৰাই। নগাঁও পৰিবহণ প্ৰৱৰ্তক বিষয়া প্ৰহ্লাদ হাজৰিকা, সুদীপ্ত শইকীয়া, তুলতুল গগৈ, প্ৰদীপ ভূঞা লগতে অন্যান্য সকল, ৰামধেনু ট্ৰেভেল এজেঞ্চিৰ ইন্দ্ৰ কলিতা, ধ্ৰুৱ কলিতাকে প্ৰমুখ্য কৰি বহু গণ্য-মান্য ব্যক্তিৰ লগতে যান বাহনৰ চালক কণ্ডাক্টৰ সকল উপস্থিত থাকে। পৰিবহণ বিষয়া সীমান্ত বৰাই পথ সুৰক্ষা সজাগতাৰ ওপৰত আলোকপাত কৰি বৰ্তমান ঘন কুৱলিৰ আৰু পিকনিকৰ বতৰত যানবাহন চালক সকলক প্ৰতিটো ক্ষেত্ৰতে অধিক সৰ্তক হৈ থাকি যানবাহন সমূহ চলাচল কৰিবলৈ আহ্বান জনাই। লগতে যানবাহন চলোৱাৰ সময়ত যদি কোনোবা চালকে মাদকদ্ৰব্য সেৱন কৰি যানবাহন চলাই দুৰ্ঘটনা সংঘটিত কৰে তেনে হলে সেই যানবাহনৰ চালকৰ ওপৰত যানবাহন আইন অনুসৰি শাস্তিৰ ব্যৱস্থা কৰাৰ লগতে দহ হেজাৰ টকাৰ জৰিমনা আৰু চালকৰ অনুজ্ঞাপত্ৰ বাতিল হব বুলি কঠোৰভাৱে জনায়। সভাত ৰামধেনু ট্ৰেভেল এজেঞ্চিৰ হৈ মনি কলিতাই চালক-কনদাক্টৰ সকলক সদায় যাত্ৰী সকলক নিজৰ পৰিয়ালৰ এজন বুলি ভাবি বাহনত উঠোৱাৰ লগতে তেওঁলোকক কেনেকৈ নিৰাপদে সুৰক্ষা প্ৰদান কৰি গন্তব্যস্থানত এৰিব পাৰে তাৰ প্ৰতি সৰ্তক হবলৈ আহ্বান জনাই লগতে নগাঁও পৰিবহণ বিভাগক সকলো দিশতে সদায় সহযোগিতা প্ৰদানৰ আশ্বাস প্ৰদান কৰি বক্তব্য আগবঢ়োৱাৰ লগতে পথ সুৰক্ষাই পথচাৰী আৰু যান বাহনৰ আৰোহী সকলৰ সৰ্তকতা আৰু নিয়মাৱলীক গুৰুত্ব প্ৰদান কৰাৰ লগতে পথ সুৰক্ষাই জীৱন ৰক্ষা এই বাক্যশাৰী মনত ৰাখিবলৈ আহ্বান জনাই। উল্লেখ যে, নগাঁও বৰঘাট বাইপাছত উৰনীয়া সেতু আৰম্ভ হোৱাৰ পাছৰে পৰা দুৰ্ঘটনা ৰোধৰ ক্ষেত্ৰত নতুনকৈ চাৰিওটা দিশতে গতিৰোধক দিবলৈ দীৰ্ঘদিনৰ পৰা এক দাবী জনাই অহা হৈছিল। সেই সকলো দাবী জিলা প্ৰশাসনৰ সহযোগত আৰু লোকনিৰ্মাণ বিভাগৰ তৎপৰতা অতি শীৰ্ঘে নিৰ্মাণৰ বাবে ব্যৱস্থা হাতত লোৱা হব বুলি নগাঁও পৰিবহণ বিষয়া সীমান্ত বৰাই জানিব দিছে। আজি পুৱাৰ ভাগতে আয়োজিত সজাগতা অনুষ্ঠানটি সামগ্ৰীকভাৱে আঁতধৰে জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী তথা সাংস্কৃতিক কৰ্মী দৰ্শন মহন্তই।

# তিনিচুকীয়া উকীল সন্থাৰ সাধাৰণ সম্পাদক বিশ্বজিত প্ৰসাদৰ গোচৰৰ চাৰ্জশ্বীট

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ ডিচেম্বৰ ঃ** শেহতীয়াকৈ এক বৃহৎ পৰিঘটনাত তিনিচুকীয়া আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ৭৮, ৩৫১ (২) ৩(১)(ৰ) আৰু ৩(১)(সমূহ)ৰ ধাৰাৰ অধীনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইনৰ অধীনত এক গোচৰ (২৯৪/২৫) ৰুজু কৰিছিল। ৩৫৮/২০২৫ নং চাৰ্জশ্বীটত আৰক্ষীয়ে প্ৰাইমা ফেচি কেছ প্ৰতিষ্ঠা কৰি অভিযুক্ত অধিবক্তা বিশ্বজিৎ প্ৰসাদৰ বিৰুদ্ধে পৰ্যাপ্ত প্ৰমাণ লাভ কৰে। উল্লেখ্য যে, বিশ্বজিৎ প্ৰসাদে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ আইন উপদেষ্টা হিচাপেও সন্মানীয় পদত অধিষ্ঠিত হৈ আছে। বৰ্তমান তেওঁ অন্তৰ্বৰ্তীকালীন জামিনত আছে আৰু এই বাতৰি যুগুতোৱা সময়লৈকে আদালতে তেওঁক এতিয়াও নিৰপেক্ষ জামিন প্ৰদান কৰা নাই। এতিয়া আইনী ভ্ৰাতৃত্ববোধৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে যে অভিযোগ থকাৰ পিছতো অভিযুক্ত বিশ্বজিৎ প্ৰসাদে আজিও তিনিচুকীয়াত অধিবক্তা সংস্থাৰ মহাসচিব পদৰ সন্মানীয় পদত কেনেকৈ অধিষ্ঠিত হৈ আছে? আইনী ভ্ৰাতৃত্ববোধৰ তৰফৰ পৰা, গৌৰৱোজ্জ্বল অতীত থকা তিনিচুকীয়া উকীল সন্থাৰ মৰ্যাদা ৰক্ষাৰ বাবে তেওঁৰ শীঘ্ৰে স্বেচ্ছামূলক পদত্যাগ বা পদৰ পৰা বহিস্কাৰ কামনা কৰিছে। সমান্তৰালভাৱে আৰু দাবী উত্থাপন কৰা হৈছে যে বিশ্বজিৎ প্ৰসাদক তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ লগতে এ পি ডি চি এল উভয়ৰে আইনী উপদেষ্টা পদৰ পৰা শীঘ্ৰে অব্যাহতি দিয়া হওক, অন্যথা কেৱল এই প্ৰতিষ্ঠানসমূহৰ ভাবমূৰ্তিয়েই নহয়, সংশি-ষ্ট বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু প্ৰশান্ত ফুকনো কলংকিত হৈ জনসাধাৰণৰ মাজত এটা বেয়া বাৰ্তা অব্যাহত ৰাখিব। শেহতীয়াকৈ বিশ্বজিৎ প্ৰসাদৰ বিৰুদ্ধে কেতবোৰ গুৰুতৰ বিষয় উত্থাপন কৰিছে প্ৰবীণ সমাজকৰ্মী তথা স্তম্ভলেখক ৰঞ্জন চৌধুৰীয়ে। উল্লেখ্য যে, তিনিচুকীয়া পৌৰ সভাৰ 'শতবাৰ্ষিকী উদযাপন সমিতি'ৰ সদস্য হিচাপেও মনোনীত হৈছিল বিতৰ্কিত অধিবক্তা বিশ্বজিৎ প্ৰসাদ। তিনিচুকীয়া উকীল সন্থা আৰু প্ৰসাদৰ সৈতে জড়িত প্ৰতিষ্ঠানসমূহে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া চাবলৈ আৰু আমোদজনক হ'ব বুলিও তেওঁ লগতে কয়।

# নাজিৰা সমজিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ অনুমোদন পত্ৰ বিতৰণ



**অসম বাৰ্তা, নামতি, ৯ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত আজি নাজিৰা মহাবিদ্যালয় খেলপথাৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৯৭ নং নাজিৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত নাজিৰা আৰু আমগুৰি উন্নয়ন খণ্ডৰ নিৰ্বাচিত হিতাধিকাৰী সকলক গৃহ নিৰ্মাণৰ প্ৰথম কিস্তিৰ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে নাজিৰা সমজিলাৰ সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁই, নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়াৰ প্ৰতিনিধি জিণ্টি ৰাজকুমাৰী, নাজিৰা আৰু আমগুৰি আঞ্চলিক পঞ্চায়তৰ কাউন্সিলৰ ক্ৰমে পৰিণীতা শইকীয়া আৰু আশাবন্তী বদ্ৰা, নাজিৰা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সহকাৰী সম্পাদক বিজয় চন্দ্ৰ বৰা, ত্ৰিবেণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসপ্ৰাপ্ত শিক্ষক নৰেন গগৈ, বিশিষ্ট সমাজ কৰ্মী তৰুণ চন্দ্ৰ গগৈ। আজিৰ এই সভাৰ শুভ আৰম্ভণি কৰা হয় বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পিছতে নিৰ্বাচিত ১০ গৰাকী হিতাধিকাৰীক মঞ্চত অনুমোদন পত্ৰ বিতৰণ কৰা হয়। উল্লেখ্য যে, কামৰূপ জিলাৰ বকোস্থিত গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় অনুমোদন পত্ৰ বিতৰণ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। আজিৰ এই অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ দ্বাৰা নাজিৰা আৰু আমগুৰি উন্নয়ন খণ্ডৰ মুঠ ২৩৪৭ গৰাকী হিতাধিকাৰী লাভান্বিত হয়। আজিৰ এই অনুষ্ঠানত নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্তসকল অৰুণাভ সোণোৱাল, উপাসনা বৰা আৰু কল্যাণ জ্যোতি হাজৰিকা, নাজিৰা আৰু আমগুৰি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ক্ৰমে অৰ্ণৱ ডেকা আৰু ৰাতুল গগৈ, তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, বিভাগৰ মুৰব্বী বিষয়া তথা কৰ্মচাৰী সকল, আঞ্চলিক পঞ্চায়তৰ সদস্য সকল, গাঁও পঞ্চায়তৰ সদস্য সকল, জ্যেষ্ঠ নাগৰিক সকল, নাজিৰাৰ বিশিষ্ট ব্যক্তি সকল, ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদ কৰ্মী সকল, নাজিৰা আৰু আমগুৰি উন্নয়ন খণ্ডৰ হিতাধিকাৰী সকল তথা গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

# বিশিষ্ট শিক্ষাবিদ ড° অমৰজিৎ শইকীয়াক "ড° বসন্ত কুমাৰ ভট্টাচাৰ্য অসম শিক্ষাবিদ সন্মান-২৫" প্ৰদান কাব্যধ্বনি অসমৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন মুৰব্বী সহযোগী অধ্যাপক তথা বৰ্তমান ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়ালৈ সাহিত্যাচাৰ্য "ড° বসন্ত কুমাৰ ভট্টাচাৰ্য অসম শিক্ষাবিদ সন্মান-২০২৫" আগবঢ়োৱা হৈছে। "কাব্যধ্বনি অসম"ৰ উদ্যোগত তিনিচুকীয়া মহাবিদ্যালয়ৰ সহযোগত তিনিচুকীয়া মহাবিদ্যালয়ত যোৱা ৬ ডিচেম্বৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় কবি সন্মিলনত শিক্ষাবিদ ড° শইকীয়াক এই সন্মান যঁচা হ'য়। সাহিত্য, সমাজ, সংস্কৃতি জগতলৈ আগবঢ়াই অহা অনবদ্য অৱদানৰ বাবে ড° অমৰজিৎ শইকীয়াক এই সন্মান প্ৰদান কৰে কাব্যধ্বনি অসমে। উল্লেখ্য যে, ২০২০ চনত চৰকাৰী আদৰ্শ মহাবিদ্যালয়খন ডুমডুমাত বীৰ ৰাঘৱ মৰাণৰ নামত ঘোষণা হৈছিল যদিও মহাবিদ্যালয়ৰ কোনো চিন নাছিল। অধ্যক্ষ হিচাপে দায়িত্বভাৰ লৈয়েই শূন্যৰ পৰা এখন উচ্চ শিক্ষানুষ্ঠান এককভাৱে গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টাৰে আজি প্ৰায় হেজাৰৰো অধিক স্নাতক শিক্ষাৰ্থীৰে অস্থায়ীকৈ হলেও গঢ়ি উঠিছে মহাবিদ্যালয়খন। অঞ্চলটোত শিক্ষাৰ সমান্তৰালকৈ সামাজিক উৎকৰ্ষ সাধনৰ দায়বদ্ধতাৰ অপূৰ্ব নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হোৱা ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয় আজি অসমৰ এখন অন্যতম স্নাতক মহাবিদ্যালয়। স্মৃতব্য যে, ড° অমৰজিৎ শইকীয়া শিৱসাগৰৰ এগৰাকী ছাত্ৰ নেতা হিচাপেও জনপ্ৰিয় আছিল। তেখেতে ছাত্ৰ অৱস্থাতে জাঁজীত গঢ়ি তুলিছিল চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু/বিদ্যা নিকেতন নামৰ শিক্ষানুষ্ঠানখন। 'বিদ্যা ভাৰতী'ৰ অন্তৰ্ভুক্ত অসম শিশু শিক্ষা সমিতিৰ পদাধিকাৰ প্ৰশিক্ষণপ্ৰাপ্ত ড° শইকীয়াই পৰৱৰ্তী সময়ত চাকৰিসূত্ৰে মাৰ্ঘেৰিটালৈ আহি মাৰ্ঘেৰিটাত জাতীয় বিদ্যালয়, মাৰ্ঘেৰিটা গঢ়ি তুলিছিল। তাৰ উপৰিও তেখেতে গঢ় দিয়া জাতীয় বিদ্যালয়, মাকুম সম্প্ৰতি তিনিচুকীয়া জিলাৰ এখন অন্যতম মাতৃভাষা মাধ্যমৰ অগ্ৰণী বিদ্যালয়। শিক্ষাৰ সমান্তৰালকৈ জীৱন-জীবিকাৰ পথ নিৰ্দেশনাৰে তেখেতৰ নেতৃত্বত ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ে গ্ৰহণ কৰি অহা কৌশলী আৰু ব্যৱহাৰিক পদক্ষেপসমূহে শিক্ষাৰ্থীৰ জীৱনৰ এজেণ্ডা প্ৰস্তুতৰ ক্ষেত্ৰত প্ৰভুত অৰিহণা যোগোৱা বুলিব পাৰি।

# বস্ত্ৰ ভঁৰাললৈ হাজাৰৰো অধিক বস্ত্ৰ প্ৰদান কৰিলে উদালী মহাবিদ্যালয়ে

**অসম বাৰ্তা, লংকা, ৮ ডিচেম্বৰ ঃ** নগাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান "বস্ত্ৰ ভঁৰাললৈ" লংকাৰ এখন অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান উদালী মহাবিদ্যালয়ে শনিবাৰে হাজাৰৰো অধিক ন- পুৰণি বস্ত্ৰ আগবঢ়ায়। আনহাতে উদালি মহাবিদ্যালয় কৰ্তৃপক্ষৰ স'তে "বস্ত্ৰ ভঁৰালৰ আন এক তিনিবছৰীয়া বুজাবুজিৰ চুক্তিও ( MOU) সম্পাদন কৰা হয়। উদালি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অৰুণ বৰা আৰু বস্ত্ৰ ভঁৰালৰ সভাপতি বিৰিঞ্চি বৰাই স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি মতে অহা তিনি বছৰলৈ দুয়োটা অনুষ্ঠানে সমাজৰ আৰ্তজনৰ বাবে বিভিন্ন ধৰণৰ কাম কৰাৰ লগতে চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা, অন্ধ বিশ্বাস দূৰীকৰণ, ডাইনী হত্যাৰ বিৰুদ্ধে সজাগতা সভা ইত্যাদি দিশত কাম কৰিব বুলি চুক্তি স্বাক্ষৰকাৰী দুয়োগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ লগতে উদালি মহাবিদ্যালয় কৰ্তৃপক্ষই বস্ত্ৰ ভঁৰাললৈ প্ৰায় হেজাৰৰো অধিক বস্ত্ৰ, ৩০০ জোৰা পুৰুষ মহিলাৰ ছেণ্ডেল আৰু প্ৰায় ৫০০খন মহিলাৰ বাবে প্ৰয়োজনীয় গাত লোৱা গৰম কাপোৰ আগবঢ়ায়। স্মৰ্তব্য যে উদালি মহাবিদ্যালয় শিক্ষক গোট আৰু ছাত্ৰ ছাত্ৰীৰ সহযোগিতাত যোৱাবছৰো মহাবিদ্যালয় খনে বস্ত্ৰ ভঁৰাললৈ অনুৰোপ কাপোৰ আৰু অন্যান্য সামগ্ৰী আগবঢ়ায়। আজিৰ এই অনুষ্ঠানত উদালি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অৰুণ বৰা, উপাধ্যক্ষ মোস্তাক হুছেইন, আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক ড° আব্দুল ৱাডুদ, মহাবিদ্যালয়ৰ মহিলা কোষৰ সমন্বয়ক ৰাস্না বৰুৱা সহিতে প্ৰবক্তা ক্ৰমে জোনালী লস্কৰ, চাহজাহান বাদশ্বাহ, অনামিকা পাল, চুমিৰাণী দাস, চালমা আখতাৰা, শ্ববনম আফতাবী, ৰঞ্জন চৌধুৰী, মোস্তাক আহমেদ, আছিক আহমেদ, শ্বৈইফ উদ্দিন আৰু বস্ত্ৰ ভঁৰালৰ সভাপতি বিৰিঞ্চি বৰা সমন্বিতে কবিৰ হুছেইনে, ৰূপম বৰা ইত্যাদি বিষয়ববীয়া উপস্থিত থাকে। বস্ত্ৰ ভঁৰালৰ সভাপতি বিৰিঞ্চি বৰাই মহাবিদ্যালয়ৰ এই মহানুভৱতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে সমাজৰ সমৰ্থবান লোকসকলক দুখীয়া নিছলা লোকসকললৈ ব্যৱহৃত আৰু ব্যৱহাৰযোগ্য কাপোৰৰ লগতে নতুন কাপোৰ আগবঢ়াবলৈ অনুৰোধ জনায়।

বিশিষ্ট কালি বাদক কলিৰাম বৰাক গীতাধ্যায় কামাখ্যাচৰণ ঠাকুৰ সমাজৰত্ন বঁটা ২০২৫ প্ৰদান

# নগাঁৱৰ ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ চতুৰ্থ বৰ্ষপূৰ্তি উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৯ ডিচেম্বৰ ঃ** নগাঁৱৰ ৰাইজৰ বাবে গৌৰৱময় সপোনৰ প্ৰকল্প ব্ৰহ্মপুত্ৰ আই কেয়াৰ গুণগত মানৰ চকুৰ স্বাস্থ্য সেৱাৰ এক বিশ্বাসযোগ্য নামত পৰিণত হৈছে। চতুৰ্থ বৰ্ষপূৰ্তি উদ্‌যাপনৰ সময়ত এই কেন্দ্ৰটোৱে নিষ্ঠা, মমতা, আৰু আধুনিক চকুৰ যত্নৰ উৎকৃষ্টতাৰ প্ৰতীক হিচাপে থিয় দিছে। বিগত কেইবা বছৰ ধৰি ই উন্নত চিকিৎসা, নিৰ্ভৰযোগ্য নিদান, আৰু ৰোগীকেন্দ্ৰিক সেৱাসমূহক সমাজৰ ওচৰলৈ লৈ আহিছে। ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ চকুৰ যত্নে দৃষ্টিশক্তি পুনৰুদ্ধাৰ আৰু চকুৰ স্বাস্থ্য সম্পৰ্কে সজাগতা বিয়পোৱাৰ প্ৰতিশ্ৰুতিৰে জীৱন আলোকিত কৰি আহিছে। ইয়াৰ যাত্ৰাই কঠোৰ পৰিশ্ৰম, বিশ্বাস, আৰু আন্তৰিকতাৰে আৰু বিশ্বমানৰ চকুৰ যত্নৰে নগাঁৱত সেৱা আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰি আহিছে। দেওবাৰে প্ৰতিষ্ঠান খনৰ চতুৰ্থ বৰ্ষপূৰ্তি উদযাপন কৰে। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই আৰম্ভ কৰা অনুষ্ঠানতি কেইবাজনো কণ্ঠশিল্পীয়ে দুইজনা মহান শিল্পীৰ গীত পৰিৱেশন কৰা লগতে নৃত্যৰ মাজেৰে শ্ৰদ্ধাঞ্জলি জনায়। ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ পৰিচালক তথা চিকিৎসক প্ৰাঞ্জল কুমাৰ গৌতমে আঁতধৰা বঁটা প্ৰদান অনুষ্ঠানতে বিশিষ্ট কালি বাদক কলিৰাম বৰাক গীতাধ্যায় কামাখ্যাচৰণ ঠাকুৰ সমাজৰত্ন বঁটা ২০২৫ প্ৰদান কৰে। নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, কণ্ঠশিল্পী কৃষ্ণ মণি নাথকে ধৰি নগাঁও সমাজ জীৱনৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে উক্ত বঁটাটো প্ৰদান কৰে। উল্লেখযোগ্য যে নগাঁও জিলাৰ চামগুৰি ভেলৌগুৰিৰ নিৰ্বাসী কলিৰাম বৰাই পিতৃৰ পৰা লাভ কৰা জ্ঞানেৰে যৌৱন কালৰে পৰা নিজৰ জন্মভূমিৰ লগতে ভিন্ন স্থানত কালিবাদনেৰে সন্মান বুটলিবলৈ সক্ষম হৈ আহিছে।

## ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক বিদ্যালয় সপ্তাহৰ শুভাৰম্ভণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৯ ডিচেম্বৰ ঃ** ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমাৰ ২০২৫ বৰ্ষৰ বাৰ্ষিক বিদ্যালয় সপ্তাহৰ আজি শুভাৰম্ভণি কৰা হয়। আজিৰ উদ্বোধনী অনুষ্ঠানত ডুমডুমা সমজিলাৰ সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰে। তেখেতে বিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন কৰাৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, স্কাউট আৰু গাইড তথা এন চি চি কেডেটসকলৰ মাৰ্চ পাষ্টৰ অভিবাদন গ্ৰহণ কৰে। উদ্বোধনী ভাষণত দত্তই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশংসা কৰে আৰু অনুষ্ঠানটিত উপস্থিত হৈ তেওঁ তেওঁৰ স্কুলীয়া দিনৰ কথা মনত পৰা বুলি কয়। আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ মাৰ্থা টেলেনে আদৰণি ভাষণ প্ৰদান কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক চানী যোছেফ ধানে আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্য সন্তোষ শ্বাহ আৰু কাশ্মীৰ কুজুৰেও অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে কেইবাটাও সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক অভিজিৎ খাটনিয়াৰে শলাগ জ্ঞাপন কৰাৰ পাছতেই মুখ্য অতিথি দিগন্ত দত্তই ফুটবল এটা কিক্ মাৰি বিদ্যালয় সপ্তাহৰ উদ্বোধন কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন